# হেমচন্দ্ৰ দেৱ গোস্বামী
# : কলেজ আলোচনী :-

১ম বছৰ ।
১৯৭৪-৭৫ ।

সম্পাদক দ্বয় :-
নিত্যানন্দ দিহিঙ্গীয়া (অসমীয়া শাখা)।
সদানন্দ গগৈ (ইংৰাজী শাখা)।

H.C.D.G. COLLEGE LIBRARY
No..................
Date..................
Nitaipukhuri, Sibsagar, Assam

# আশীষ বাণী

ভাগৱত ভাস্কৰ আউনীআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰী হেমচন্দ্ৰ দেৱ গোস্বামী মহাপ্ৰভুৰ আমাৰ মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা মণ্ডলী, ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ মুখপত্ৰলৈ।

"আউনীআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ গোস্বামী কলেজৰ ছাত্ৰ-ছাত্ৰীসকলে আলোচনী এখনি উলিয়াবলৈ কৰা প্ৰচেষ্টাত আমি আনন্দিত হৈছো।

আলোচনী সাময়িক সমাজৰ দৰ্পন স্বৰূপ। দৰ্পনত স্বকীয় অব্দঃ প্ৰতিফলিত হোৱাৰ দৰেই আলোচনীতো সাময়িক সমাজৰ স্বকীয় স্বৰূপ প্ৰতিফলিত হয়।

দৰ্পন দৃষ্ট মোলান অব্দঃৰ মাৰ্জন প্ৰচেষ্টা যেনে স্বাভাৱিক তৎস্বৰূপেই কলেজ আলোচনীৰ লিখক লিখিকা সকলৰ সমাজৰ কুৰুচি পূৰ্ণ সাময়িক অব্দঃ সমূহ সুৰুচিপূৰ্ণলৈ পৰিণত কৰাৰ প্ৰচেষ্টাই মৌলিক লক্ষ্য হোৱাটো আমি কামনা কৰো।

লিখক লিখিকা সকলৰ এনে প্ৰচেষ্টা সফলৰ আৰু কলেজৰ উত্তৰোত্তৰ উন্নতিৰ অৰ্থে শ্ৰীশ্ৰীগোবিন্দ মহাপ্ৰভুৰ চৰণত প্ৰাৰ্থনা জনোৱা হল।

ইতি —

শ্ৰীশ্ৰীআউনীআটীয় গোস্বামী।

# সূচী

সম্পাদকীয় –

১। আন্তৰ্জাতিক মহিলাবৰ্ষৰ তাৎপৰ্য্য শ্ৰীমতী কেশদা দত্ত ১

কবিতা—

২। এটি পুৱাৰ আশা শ্ৰীইন্দুভূষণ গগৈ ৪

৩। স্মৃতি শ্ৰীযমুনা বড়া ৫

৪। প্ৰেতাত্মাৰ কণ্ঠস্বৰ শ্ৰীদ্বীপেন কোঁৱৰ ৬

৫। দিক্‌ভ্ৰান্ত শ্ৰীৰুণু বড়া ৭

৬। জ্যোতিৰ স্মৃতিৰে শ্ৰীপ্ৰমোদ ৰঞ্জন দত্ত ৮

৭। মোৰ স্মৃতি পটত শ্ৰীলক্ষীমা ৰাজখনিকৰ ৯

৮। বন্ধু আঁতৰিলো তোমাৰ পৰা শ্ৰীদিপ্তীময়ী কোঁৱৰ ১০

গল্প—

৯। অশৰীৰি ক্ৰন্দন শ্ৰীদ্ৰোণকান্ত গগৈ ১১

১০। কল্পনা শ্ৰীযতীন চুতীয়া ১৬

১১। অপৰাজিতা কুমাৰী ৰুণু বড়া ২০

১২। পথ আৰু উপপথ শ্ৰীদেৱকমল কোঁৱৰ ২৩

প্ৰবন্ধ—

১৩। এগৰাকী ছাত্ৰীৰ দৃষ্টিৰে—
আজিৰ শিক্ষা : এটি পৰ্য্যালোচনা শ্ৰীবন্দনা বৰুৱা ৩০

১৪। বিশ্বৰ এজন শ্ৰেষ্ঠ ভাস্কৰ
আৰু চিত্ৰ শিল্পী : মাইকেল এঞ্জেলো শ্ৰীসদা গগৈ ৩৫

১৫। নিতাই পুখুৰী আৰু আমাৰ মহাবিদ্যালয়—
এটি চমু পৰিচিতি— অধ্যাপক ডম্বৰুধৰ নেওগ ৩৯

১৬। শিক্ষানুষ্ঠান –শিক্ষাৰ্থী—শিক্ষক
আৰু সামাজিক দায়বদ্ধতা— শ্ৰীপ্ৰহ্লাদ বৰুৱা ৪৩

# FOREWORD

I am glad to know that the Magazine of our Hem Chandra Dev [illegible] College, Nitaipukhuri, is going to make its first appearance very shortly. A College Magazine has been a long cherished hope of the students and the teachers of this College. Thanks to the sincere efforts of the Students' Union, especially of the Prof. in-charge, Shri Dambarudhar Neog M. A, that hope comes to be realised at last. The need of a College Magazine cannot be exaggerated. It offers the students an opportunity to give vent to their thoughts and feelings in various literary forms and thereby helps to develop their aesthetic sense and talent. Among the college students there may be many who have the gift of writitng and who aspire to be writers in future. A College Magazine can help such promising students to cultivate the art of literary production and to improve the standard of their writing through continuous practice. Not only that, it can give them a confidence in their own talent for literature, by publishing their writings in printed pages. I hope, the Magazine of our College will serve this useful purpose to a considerable extent. I know it also that our College Magazine, being the first venture of its kind, must have some defects and deficiency as well as certain merits, Despite all its shortcomings it will fulfil, I hope, the purpose of giving our college students a stimulus for the writing.

Here are a few more words for the apprentice writers of our college. The world is advancing along the path of progress with the advancement of civilization, the values of life and art are undergoing radical changes Art, being a dynamic force, always moves towards modernity. It is becoming modern both in forms and contents — modern, of course, in the true sense of the term. It is supposed that all modern literature is based on reality. But, if it is truly modern it should not only reflect the real social life of the day, but also help to transform it into a new, better order. Our student writers need to be aware of these changes and of the new values of life and literature. They should try their best to have a clear con-

ception of good art and literature; they should have acquaintance with the new trends of thoughts and new techniques in art and literature. But they must not imitate others blindly; they should try to create something novel and original. What is more important is that they should have a scientific outlook towards life and society. Without such a scientific outlook one cannot understand the real nature of things or social phenomena and cannot represent them in art and literature in a realistic manner. In good art and literature reality and imagination are blended in a unique manner. Reality can be recreated and coloured by imagination, but it must not be distorted and falsified in the name of art. Our student writers should bear in mind that they are to create a literature that is most realistic, most modern and best suited to the new generation. They are to contribute something useful to the society in which they live, move and have their being. It is only by means of earnest effort, serious study and constant practice that they will be able to achieve this purpose.

In fine, I hope that with the sincere efforts and co-operation of the teachers and the taughts our college Magazine will improve its standard and continue its publication regularly and effectively.

**Chitrasen Rajkumar** M. A.
Principal, H. C. D. G. College,
Nitaipukhuri.

# সম্পাদকীয়

হেমচন্দ্ৰদেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰথম সংখ্যা আলোচনীখন আপোনালোকলৈ আগবঢ়াই দিলো।

শিক্ষানুষ্ঠান এখনত এখন আলোচনীৰ মূল্য কিমান তাক নকলেও হব। অনুষ্ঠানৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ প্ৰবন্ধ পাতিৰে প্ৰকাশ হোৱা আলোচনীসমূহ প্ৰতিভাবিকাশৰ একমাত্ৰ মাধ্যম। আলোচনীৰ প্ৰকাশ কৰিবৰ কাৰণে প্ৰবন্ধ পাতি লিখাৰ অভ্যাসে সময়ত একো একোজন মহৎ লিখক-লিখিকা হোৱাৰ সুযোগ দিয়ে। অধ্যয়ণ আৰু অভ্যাসৰ দ্বাৰাহে এইয়া সম্ভৱ হ'ব পাৰে। কোনো অঞ্চলৰ শিক্ষানুষ্ঠানৰ আলোচনীয়ে সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন কৰাত যিমান সহায় কৰিব পাৰে অন্য মাধ্যমৰ দ্বাৰা এইটো বৰ সহজ হ'ব বুলি ভাবিব নোৱাৰি। এইফালৰ পৰা চালে শিক্ষানুষ্ঠান এখনৰ আলোচনীৰ গুৰুত্ব অধিক বুলি ক'ব পাৰি।

কিন্তু আমি বৰ দুখেৰে জনাব খুজিছো যে আমাৰ এই সংখ্যা আলোচনীৰ কাৰণে যথেষ্ট সংখ্যক প্ৰবন্ধ পাতি বহুতোবাৰ অনুৰোধ, অনুনয় বিনয় কৰাৰ পিছতো পাবলৈ সমৰ্থ নহলো। পোৱা কেইটাৰো ভিতৰত কিছুমান ইমান নিম্ন পৰ্য্যায়ৰ যে আলোচনী উলিওৱাৰ আশাই এৰি দিছিলো; কিন্তু অধ্যক্ষ চিত্ৰসেন ৰাজকুমাৰ আৰু আলোচনীখনৰ ভাৰপ্ৰাপ্ত অধ্যাপক ডম্বৰুধৰ নেওগদেৱে আলোচনীৰ কাৰণে প্ৰবন্ধ পাতি সংগ্ৰহ কৰি হাতফুৰাই প্ৰকাশ কৰিবলৈ কোৱাত সম্পাদনা সমিতিৰ অনুমোদন সাপেক্ষে উপযুক্ত বুলি বিবেচিত প্ৰবন্ধ পাতি আলোচনীত ঠাই দিয়া হ'ল। অধ্যক্ষ ৰাজকুমাৰ আৰু অধ্যাপক নেওগ চাৰলৈ আমাৰ হিয়াভৰা শ্ৰদ্ধা আগবঢ়ালো। আশা কৰো ভৱিষ্যতে আমাৰ শিক্ষক আৰু শিক্ষাৰ্থীসকলে উন্নত মানদণ্ডৰ প্ৰবন্ধপাতি দি ভাষাজননীৰ পূজালৈ অৰিহণা আগবঢ়াব।

### আলোচনীৰ বিষয়ে ঃ

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত পোৱা বাধাবিঘিনিবোৰৰ কথা বন্ধু-বান্ধৱী সকলে জানেই। গতিকে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত আলোচনীখন উলিয়াই দিব নোৱাৰিলো। সেই কাৰণে ক্ষমা বিচাৰিলো। অনিবাৰ্য্য কাৰণবসতঃ এই সংখ্যাত ইংৰাজী বিভাগটো আৰু ৭৪-৭৫ৰ বিভাগীয় সম্পাদকীয় প্ৰতিবেদনও এই সংখ্যাত প্ৰকাশ কৰিবলৈ অপাৰগ হোৱাত দুখ অনুভৱ কৰাৰ বাহিৰে আমাৰ গত্যন্তৰ নেথাকিল।

### আন্তৰ্জাতিক মহিলাবৰ্ষ — ১৯৭৫

চনৰ বছৰটো আন্তৰ্জাতিক নাৰীবৰ্ষ হিচাবে সমগ্ৰ বিশ্বত পালন কৰা হৈছে। নাৰী সমাজৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি ক্ষেত্ৰত নাৰীৰ বৰঙণিৰ স্বীকৃতি দি পুৰুষৰ লগত সমানে স্থান দিয়া হৈছে। এই বিশ্বব্যাপী স্বীকৃতিয়ে নাৰী সমাজক মহিমামণ্ডিত কৰাৰ উপৰিও আগবাঢ়ি যাবলৈ নাৰী সকলক অনুপ্ৰাণিত কৰিব। ৰাষ্ট্ৰসঙ্ঘৰ জৰিয়তে পালন কৰা এই নাৰীবৰ্ষৰ বছৰটোত সমগ্ৰ পৃথিবীয়ে মহিলা সকলৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিছে। এই স্বীকৃতিয়ে নাৰী সমাজক তেওঁলোকৰ অন্তৰ্নিহিত প্ৰতিভাৰ বিষয়ে সজাগ কৰি দিছে।

### শিক্ষা অনুষ্ঠানসমূহত ৰেগীং —

ইমান দিনে শিক্ষা অনুষ্ঠান সমূহত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত চলি থকা ৰেগীং একপ্ৰকাৰ ব্যাধি বুলি স্বীকৃত হৈছে। আৰু এই দুষ্ট ৰোগ শিক্ষা-অনুষ্ঠান সমূহৰ পৰা আঁতৰ কৰিবলৈ চৰকাৰে যথোপযুক্ত ব্যৱস্থা লৈছে বুলি কোৱা হৈছে। শিক্ষা অনুষ্ঠান সমূহৰ পৰা এই ব্যাধি দূৰ নকৰিলে মানসিক ভাৱে বিপদগ্ৰস্ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি যাব। চৰকাৰে লব খোজা ব্যৱস্থাই ৰেগীঙক সম্পূৰ্ণভাৱে শিক্ষা অনুষ্ঠান সমূহৰ পৰা আঁতৰ কৰিব পাৰিব বুলি ভবা হৈছে।

### জৰুৰীকালীন অৱস্থা ঃ বিশ দফীয়া অৰ্থনৈতিক আঁচান ঃ—

দেশৰ জৰুৰীকালীন অৱস্থাৰ ভিতৰত প্ৰধান মন্ত্ৰীৰ দ্বাৰা ঘোষিত কুৰি দফীয়া অৰ্থনৈতিক আঁচনিয়ে দেশৰ সমগ্ৰ অঞ্চলত ইতিমধ্যে আৰ্থিক ভাৱে শোচনীয় লোকসকলক সকাহ দিছে। আমাৰ অসমতো এই আঁচনিৰ পৰিপ্ৰেক্ষিতত মাটিহীন খেতিয়কক মাটি বিতৰণ, ছাত্ৰ ছাত্ৰীৰ মাজত পাঠ্যপুথিৰ সহজ লভ্যত পাব-পৰা ব্যৱস্থা, শিক্ষা অনুষ্ঠান সমূহৰ ছাত্ৰ আৰু ছাত্ৰীবাসগৃহত খাদ্য দ্ৰব্যৰ সস্তীয়া বিতৰণ, দোকান আদিত গ্ৰাহকৰ দৃষ্টি গোচৰ হোৱাকৈ মজুত খাদ্য আদিৰ মূল্যৰ তালিকা প্ৰদৰ্শন আদি বিশ দফীয়া অৰ্থনৈতিক আঁচনিৰ সু-ফল বুলি কব পাৰি। তাৰ উপৰি কাৰ্য্যালয়ত কৰ্মৰত বিষয়া আৰু কৰ্মচাৰী সকলৰ মাজত নিয়মানুবৰ্তিতা আৰু শৃঙ্খলা ৰক্ষা কৰাটো জৰুৰী অৱস্থাৰ আশীৰ্ব্বাদ বুলি কব পাৰি।

### আমাৰ মহাবিদ্যালয় ঃ

১৯৬৫ চনৰ শিক্ষাবছৰত স্থাপিত আমাৰ মহাবিদ্যালয় এই অঞ্চলৰ শিক্ষানুৰাগী ব্যক্তি আৰু ত্যাগী শিক্ষকসকলৰ ত্যাগ আৰু কষ্টৰ বিনিময়ত দোপত দোপে আগুৱাই আহিছে। পিছপৰা অঞ্চল হিচাবে আমাৰ বহুতো অভাৱ অভিযোগ এতিয়াও পূৰণ হোৱা নাই যদিও অঞ্চলৰ আৰু ইয়াৰ ওচৰৰ চাৰিও দিশৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষাৰ প্ৰতি থকা অন্তৰৰ হাবিলাস পূৰণ কৰিবলৈ সুযোগ পাইছে। এটি পূৰ্ণাঙ্গ পুথিভঁৰাল আৰু পাঠ্যপুথিৰ চাহিদা পূৰণ কৰিব পাৰিলে আমাৰ ছাত্ৰ ছাত্ৰীসকল এতিয়াতকৈ বহুতো আগবাঢ়ি যাব বুলি আমি আশা ৰাখিছো। পঢ়াশুনাৰ দৰে খেলা-ধুলাতো আমাৰ ছাত্ৰ-ছাত্ৰীসকল আগ-বাঢ়ি আহিছে। আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতা, ফুটবল প্ৰতিযোগিতাত প্ৰতিভা প্ৰদৰ্শন কৰাৰ উপৰিও আমাৰ ছাত্ৰই ৰাজ্যিক আৰু আন্তঃৰাজ্যিক প্ৰতিযোগিতাত যিদৰে খ্যাতি লাভ কৰিছে আমি ভাৱো উপযুক্ত প্ৰশিক্ষণ আৰু এখন খেল পথাৰৰ চাহিদা পূৰণ কৰিব পাৰিলে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে অসম গৌৰৱ শ্ৰীভোগেশ্বৰ বৰুৱাৰ দৰে প্ৰতিভাৰ সমশাৰি পুৱাবলৈ সমৰ্থ হ'ব।

### আমি কৃতজ্ঞ ঃ

মহাবিদ্যালয় পৰিচালনা সমিতিৰ সদস্য সদস্যা সকল, আলোচনী সম্পাদনা সমিতিৰ সদস্য-সদস্যা, লিখক-লিখিকাৰ উপৰিও যি সকলৰ ওচৰত আলোচনী উলিওৱাৰ ক্ষেত্ৰত কৃতজ্ঞ তেখেতসকল হল আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক ডম্বৰুধৰ নেওগ, অধ্যক্ষ চিত্ৰসেন ৰাজকুমাৰ, অধ্যাপক অমৰেন্দ্ৰ ৰাজকুমাৰ, অধ্যাপিকা ভদ্ৰাৱতী গগৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গৱেষক আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক প্ৰহ্লাদ কুমাৰ বৰুৱা, শিল্পী প্ৰমোদ কোঁৱৰ, কুমাৰী বন্দনা বৰুৱা আৰু মহাবিদ্যালয় কাৰ্য্যালয়ৰ সহকাৰী কান্তনাথ বড়া, ডিব্ৰুগড়ৰ লক্ষ্মী প্ৰেছৰ গৰাকী শ্ৰীযুত বিপিন শৰ্ম্মা আৰু প্ৰেছৰ কৰ্ম্মীবৃন্দ।

ভুল-ত্ৰুটিৰ কাৰণে মাৰ্জনা বিচাৰি আমাৰ দায়িত্বভাৰ ইমানতে ওৰ পেলাই বিদায় ললো। ধন্যবাদ। ইতি —

সম্পাদক,
নিত্যানন্দ দিহিঙ্গীয়া
সদা গগৈ

# আন্তৰ্জাতিক মহিলা বৰ্ষৰ তাৎপৰ্য্য

শ্ৰীমতী কেশদা দত্ত
প্ৰাক্ স্নাতক দ্বিতীয় বাৰ্ষিক।

বিংশ শতাব্দীৰ বিজ্ঞানৰ চৰম অগ্ৰগতিৰ এই মূহুৰ্ত্তত আন্তৰ্জাতিক নাৰী-বৰ্ষৰ ধুমধাম কিয় ? এই এটা সহজ প্ৰশ্নই সকলোকে আমনি কৰাটো অতি স্বাভাৱিক। প্ৰধান মন্ত্ৰীৰ দৰে উচ্চ আসনত মহিলাই নিজক অধিষ্ঠিত কৰিব পৰা সময়ত এনে বৰ্ষৰ মূল্য ক'ত ? এই প্ৰশ্নও আমাৰ মনলৈ অহাটো স্বাভাৱিক কথা। কিন্তু উপৰুক্ত প্ৰশ্নসমূহৰ উত্তৰো অতি সহজ। ইয়াৰ উত্তৰ নিতান্তই ইতিৱাচক, নেতিবাচক হব নোৱাৰে। চিন্তাশীল যিকোনো ব্যক্তিয়েই কব এই আন্তৰ্জাতিক মহিলা বৰ্ষৰ প্ৰয়োজনীয়তা আছে। বৰং মানৱীয় দৃষ্টি ভঙ্গীৰে চালে দেখা যায় যে ১৯৭৫ কিয় ১৯৬৫, ১৯৫৫ নতু তাৰো বহু আগতেই এনে কৰ্ম্মসূচী ৰাষ্ট্ৰসংঘই লোৱাটো উচিত আছিল।

চিন্তাশীল দাৰ্শনিক পণ্ডিতসকলৰ দৃষ্টিত পৃথিৱীত দুটাই মাত্ৰ জাত। পুৰুষ আৰু নাৰী। অথচ যুগে যুগে তিৰোতা জাতি পুৰুষৰ হাতৰ খেলাৰ সামগ্ৰী হৈ অহাটো কোনো লোকেই অস্বীকাৰ কৰিব নোৱাৰে। পৃথিৱীৰ মানৱজাতিৰ উন্নতি অৱনতিৰ যদি লেখ লবলগীয়া হয়, পুৰুষৰ পৰা তিৰোতাক একাষৰীয়া কৰি থৈ কৰিলে আভুৱা ভৰা হব। তাৰমানে একক ভাৱে মুনিহ তিৰোতাক লৈ কৰিব লাগিব। কিন্তু বাস্তৱ দৃষ্টি ভঙ্গীৰে লক্ষ্য কৰিলে আজিৰ পৃথিৱীত যে বিপৰীত গতি দেখিবলৈ পোৱা যায় ইও নিৰ্ঘাত সত্য। যুক্তি-তৰ্কৰ বাঘজালত হয়তো এইকথা উফৰি যাব পাৰে কিন্তু প্ৰকৃত বিচাৰত ইয়াৰ সত্যতা প্ৰতিপন্ন হবই।

পৃথিৱীৰ প্ৰায়বোৰ দেশতে মুনিহ তিৰোতাৰ মাজত অসাম্য বৰ্ত্তমান। কি সামাজিক, কি ৰাজনৈতিক সকলো দিশতে এই অসমতাই অবাধ ৰাজত্ব কৰি আছে। এনে অবাধ ৰাজত্ব যদি চলি থাকিবলৈ দিয়া হয় তেতিয়াহলে

মানৱজাতিৰ আকাংক্ষিত লক্ষ্যত উপনীত হোৱাত আৰু হয়তো কেইবা শতিকাও পলমহৈ যাব। তেতিয়াহলে মানুহৰ আন্তঃগ্ৰহ যাত্ৰাৰ বাটকটীয়াসকল নিশ্চয় বিমোৰত পৰিব। এই জ্বলন্ত সমস্যাৰ কাৰণে ৰাষ্ট্ৰসংঘৰ চিন্তানায়কসকলে হাবাথুৰি খাইছে। যদিও ৰাষ্ট্ৰসংঘৰ চনদত বিশ্ব-মানৱৰ সমান অধিকাৰ ঘোষণা কৰা হৈছে আৰু অন্যান্য বহুতো আন্তৰ্জাতিক অনুষ্ঠানে পুৰুষ মহিলা নিৰ্ব্বিশেষে অধিকাৰ দান কৰিছে অথচ পৃথিৱীৰ বহুতো দেশত মহিলা সকলক এনে অধিকাৰ আৰু স্বাধীনতাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। সেই দেশসমূহত এনে কৰা হৈছে হয় আইনৰ যোগে নতুবা গতানুগতিক চিন্তা চৰ্চ্চাৰ যোগে। ১৯৪৬ চনৰ পৰাই ৰাষ্ট্ৰসংঘই আইন, বাস্তৱ জীৱন ধাৰণ পদ্ধতি আদিৰ যোগেদি যত্নৰ ত্ৰুটি কৰা নাই। ১৯৬৭ চনত এই মৰ্ম্মে ৰাষ্ট্ৰসংঘৰ মন্ত্ৰিয়াত ঘোষণা কৰা হ'ল মহিলাসকলৰো পুৰুষৰ সৈতে সমান অধিকাৰৰ কথা, সকলো অসমতা দূৰীকৰণৰ কথা।

মহিলাৰ মৰ্যাদাৰ প্ৰশ্ন লৈ ৰাষ্ট্ৰসংঘ আৰু ৰাষ্ট্ৰসংঘৰ বিভিন্ন আয়োগৰ যোগেদি সময়ে সময়ে বিভিন্ন অধ্যয়ন কৰি আহিছে। এই প্ৰসঙ্গতে বিভিন্ন অনুমোদন আদিও আগবঢ়াই আহিছে। বিশেষতঃ বিবাহৰ ক্ষেত্ৰত, বিবাহ বিচ্ছেদৰ ক্ষেত্ৰত, চাকৰিৰ ক্ষেত্ৰত পুৰুষৰ সৈতে মহিলাৰ সমান অধিকাৰ প্ৰতিপন্ন কৰিবলৈ বিচৰা প্ৰচেষ্টাই অগ্ৰাধিকাৰ পাই আহিছে। এনে সৎ উদ্দেশ্যক আগত ৰাখিয়েই পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ মহিলা নেত্ৰীসকলক ধ্যান ধাৰণাৰ মোকাবিলাৰে উন্নতিৰ পূৰ্ব্ব প্ৰস্তুতি তৈয়াৰ কৰি বহুতো আঞ্চলিক আৰু আন্তঃ আঞ্চলিক আলোচনা চক্ৰও অনুষ্ঠিত কৰা হৈছে। এনে প্ৰচেষ্টাৰ ফলত নিশ্চয় মহিলাসকলৰ সংগঠনৰ কিছু নহয় কিছু সুফল আশা কৰিব পৰা যায়। আশানুৰূপ ভাৱে যদিও মহিলাসকল আগবাঢ়ি অহা নাই অথচ এই সমূহ প্ৰচেষ্টাই যে মহিলা সমাজক কিছু নহয় কিছু আগুৱাই আনিছে ই নিশ্চিত। ১৯৭০ চনত ৰাষ্ট্ৰসঙ্ঘৰ উন্নয়নৰ দ্বিতীয় দশকৰ অংশ বিশেষ কৰি ইয়াৰ লক্ষ্যত "মহিলা সকলৰ সৰ্ব্বাঙ্গীণ উন্নতি প্ৰচেষ্টাত সম্পূৰ্ণ সংহতি" সন্নিবিষ্ট কৰে। এই সংহতি সাধন কৰিবৰ মানসেৰে ১৯৭৫ চনটোক আন্তৰ্জাতিক মহিলাবৰ্ষ ৰূপে ঘোষণা কৰা হ'ল। এই বৰ্ষৰ উদ্দেশ্য আৰু লক্ষ্যৰ কথা আমি ইতিমধ্যে আলোচনা কৰিছো। এনে মহৎ উদ্দেশ্য সাধনৰ কাৰণে নিশ্চয় দীৰ্ঘকালীন পূৰ্ব্ব-প্ৰস্তুতিৰ প্ৰয়োজন। এই প্ৰস্তুতি হব লাগিব মানসিক প্ৰস্তুতি



খন্তেকীয়া ভাব-প্ৰৱণতাই প্ৰেৰণা দান নকৰে বৰং ই সৎ-প্ৰবনুৰ অন্তৰায় ৰূপেহে থিয় দিয়ে। সেয়েহে পুৰুষ মহিলা সকলোৱে ঐকান্তিক প্ৰচেষ্টাৰে ৰাষ্ট্ৰসংঘৰ এই মহৎ উদ্দেশ্যৰ প্ৰতি সহাঁৰি জনালেহে প্ৰকৃত উদ্দেশ্য সাধন হব।

১৯৭৫ চনটোক আন্তৰ্জাতিক মহিলাবৰ্ষৰূপে উদযাপন কৰাৰ অৰ্থ হ'ল ১) পুৰুষৰ সৈতে মহিলাৰ সম অধিকাৰৰ প্ৰশ্ন প্ৰতিপন্ন কৰা ২) জাতীয় আঞ্চলিক আৰু আন্তৰ্জাতিক সকলো ক্ষেত্ৰতে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত মহিলা সকলক সম্পূৰ্ণ ভূমিকা দান কৰা।

এই বৰ্ষ পৃথিৱীৰ বিভিন্ন দেশে বিভিন্ন কাৰ্য্য-সূচীৰে পালন কৰাৰ দিহা কৰি কামত আগ বাঢ়িছে। স্বৰূপাৰ্থত কবলৈ গলে সকলো দেশেই এই বৰ্ষৰ প্ৰতি সহাঁৰি জনাইছে। মূল্যাঙ্কণৰ বাবে আমি ১৯৭৭ চনৰ জানুৱাৰী মাহলৈ আগ্ৰহেৰে বাট চাই আছো।

আমাৰ নিজা দেশত এই মহিলাবৰ্ষ কেনে ৰূপত আগবঢ়াই নিয়াৰ কথা ভৱা হৈছে তাকো অকণমান ফঁহিয়াই চোৱা ভাল হব। জানুৱাৰী মাহত (১৯৭৫) 'ভাৰতৰ মহিলা' এই শীৰ্ষক এখন মূল্যবান পুথিৰ সংকলন আৰু প্ৰকাশ কৰা হৈছে। ফেব্ৰুৱাৰী মাহত মহিলা সকলৰ নামত ডাক-টিকট আদি উলিয়াই সেই মহতী মহিলা সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলী জনাই পৰ-পুৰুষৰ মহিলা সকলক অনুপ্ৰাণিত কৰা হৈছে। মাৰ্চমাহৰ ৮ তাৰিখক "মহিলা দিৱস" ৰূপে ঘোষণা কৰা হৈছে। এই দিৱসত মহিলা সকলক কৌটিকলীয়া পাকঘৰৰ চাৰিবেৰৰ মাজৰ পৰা উলিয়াই আনি কৰ্ম্ম বন্ধনৰ পৰা অব্যাহতি দিয়া হৈছে। সমগ্ৰ বিশ্ব জুৰি এই দিৱসত পুৰুষসকলে পাকঘৰত নিজৰ কৰ্ম্ম কুশলতা পৰীক্ষা কৰিব, লৰা-ছোৱালীহঁতে ধৈৰ্য্য, ক্ষমা আৰু সতীত্বৰ অৱতাৰ মাতৃসকলৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব। গ্ৰীষ্মৰ মাহ কেইটাত সহজ কাৰ্য্যসূচী হাতত লোৱা হৈছে। সেই সমূহৰ ভিতৰত মহিলাসকলৰ মৰ্য্যদাৰ ওপৰত মহিলা সমিতিৰ ছবি, ছায়াচিত্ৰ, পুস্তিকা আদিৰ ওপৰত যুগুতোৱা প্ৰতিবেদন প্ৰকাশ কৰা, পদ যাত্ৰাৰে ভ্ৰমণ সমদল আদি এই মাহতে ওলাব। নবেম্বৰৰ ১২ তাৰিখৰ পৰা ১৬ তাৰিখলৈ সৰ্বভাৰতীয় মহিলা সমদল উলিওৱা হব। ইয়াৰ পিচতে ৰচনা প্ৰতিযোগিতা, বাগ্‌মীতাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হব। এই প্ৰতিযোগিতাত মহিলা আৰু লৰা ছোৱালী সকলক অংশ গ্ৰহণ কৰোৱা হব। "যুগে যুগে মহিলা" এই শীৰ্ষক

এখনি আলোচনা চক্ৰ আৰু প্ৰদৰ্শনী এই মহিলাবৰ্ষৰ বিশেষ আকৰ্ষণ হব বুলি ধাৰণা কৰিব পাৰি।

অন্ধকাৰ নাশ কৰি ভৱিষ্যত পোহৰ কৰিবৰ কাৰণে 'দিব্যজ্যোতি' জ্বলোৱা হব।

ওপৰত উল্লেখ কৰা কৰ্ম্মৰাজি যদি দৰাচলতে কাৰ্য্যকাৰী কৰিব পৰা যায় তেতিয়াহলে আন্তৰ্জাতিক মহিলাবৰ্ষৰ আলমত ভাৰতীয় মহিলাসকলে অতীতৰ ঐতিহ্য ঘূৰাই আনিব পাৰিব ই ধ্ৰুৱ নিশ্চিত। তেওঁলোকৰ কাৰণে উজ্বল ভৱিষ্যতে অপেক্ষা কৰক— এয়া সকলোৰে আশা।

ওম শান্তি! ওম শান্তি! ওম শান্তিঃ

---

# এটি পুৱাৰ আশা

শ্ৰীইন্দু ভূষণ গগৈ
প্ৰাক্তন ছাত্ৰ

সদ্য স্নাতা এক,
কেচাঁ গাভৰুৰ দৰে
হেমন্তৰ পুৱা এটা
সাৰ পাই উঠিছিল
গভীৰ টোপনীৰ পৰা।
এতিয়া,
বহু উজাগৰী চকুৰ পতাত
গভীৰ প্ৰশান্তৰ আৱেশ—
সতেজ পৃথিবীৰ,
ধ্ৰুপদী সঙ্গীতৰ মূৰ্চ্ছনা।

দেহত,
হিমসনা বতাহৰ
চেচাঁ পৰা উম ...।
আৰু,
উদীয়মান সূৰুযৰ
তেজৰঙা বক্তিম আভাত
জীৱনজয়ৰ
ৰঙীন,
সতেজ আশা
আমি জীয়াই থাকিম।

# স্মৃতি

শ্ৰীযমুনা বড়া
প্ৰাক্ স্নাতক ১ম বাৰ্ষিক

শৰতৰ কোনোবা সন্ধিয়াত
দেখিছিলো এটি তৰা,
এই তৰা যেন মোৰ চিনাকী।
বহুত দিনৰ সঞ্চিত
উতলা ৰঙীন কামনাৰে
শ্বেত ডাৱৰৰ আঁৰে আঁৰে
সুকোমল সীমাহীন নীলাকাশত
খেলিছিল লুকা ভাকু।
শীতল জোনালীৰ স্নিগ্ধ পোহৰে
উজলি উঠিছিল—
শুভ্ৰ কান্তিৰে নীলিম আকাশ।
সেই পোহৰৰ তালে তালে,
অলীক কল্পনা আৰু
বহুতো ৰঙীন স্বপ্নৰে
ব্যথা ভৰা সৰুবৰ পথে
ভুমুকি মাৰিছিল।
মোৰ স্বপ্নভৰা নয়নত দেখা পালো
অনেক সোণোৱালী পথ।
কিন্তু—
মুহূৰ্তৰ আহ্বানত, সময় আঁতৰি গ'ল
তৰাৰ চিনাকী ৰঙো মিলিল
বলয়ৰ শেষ সীমনাত
হায়! আজিও নেজানিলো, নুবুজিলো
তৰালিৰ সেই প্ৰত্যাহ্বান।
মাথো পোৱা নোপোৱাৰ বেদনাৰে
অলেখ প্ৰশ্ন আৰু—
হাঁহি কান্দোনৰ মিলিত ধ্বনিৰে
থাকি গল স্মৃতি
বহুবোৰ — মোৰ মানস পটত।

---

# প্ৰেতাত্মাৰ কণ্ঠস্বৰ

শ্ৰীদ্বীপেন কোঁৱৰ
প্ৰাক্ স্নাতক ১ম বাৰ্ষিক

মই এতিয়া এখন বেলেগ পৃথিবীত,
সভ্য সমাজৰ পৃথিবীখন
মোৰ নিস্প্ৰয়োজন ॥
সেই দিনাই মই গুছি আহিছো ইয়ালৈ ..
যিদিনা দুটা গুলীত,
দুটি দেহা বাগৰিছিল,
ভূঁৰবন্ধাত ॥
গান্ধীৰ দেশত হিংসাৰ গুলি !
একে তেজ মঙহত সঙ্গীনৰ আচোৰ ॥
'তুমি' ঠিকেই কৰিছা—
গুলীকেই দিয়া,
সিহঁতৰ পেটৰ জ্বালাৰ চিঞৰ,
তুমি আৰু নুশুনিবা ;
কাহানিও ॥
মই ইয়াৰ পৰা শুনিছোঁ :
সাতাইশ বছৰীয়া স্বাধীনতাৰ,
হিয়াভগা করুণ কণ্ঠস্বৰ,
নিষ্পেষিত জনগণৰ
আৰু সভ্যতাৰ মহান নিদৰ্শন ৰূপে দেখোঁ।
ৰঙা সীহৰ গুলী !
মই আৰু সেই সমাজলৈ নাযাম;
য'ত—
সভ্যতাৰ ওখ দেৱালত বহি
'তুমি' কুকুৰিকণাৰ দৰে ক্ষণ গনিছা ॥

---

# দিক্‌ভ্ৰান্ত

শ্ৰীকণু বড়া
প্ৰথম বাৰ্ষিক প্ৰাক্ স্নাতক ( কলা )

ক্লান্ত জীৱন তথাপি নহয় শ্ৰান্ত ।
তথাপি ...
অশান্ত মনৰ পক্ষী উৰা মাৰে —
নিঃসঙ্গ ৰাজপথৰ ওপৰেদি —
মাজ নিশাৰ গোপন এটি মুহূৰ্ত্তত
হয়তো, দিনটোৰ কৰ্ম কৰি ভাগৰি পৰা মানৱে
ধৰিত্ৰীৰ বুকুত কি দৰে জিৰণি লৈছে তাক চাবলৈ
কিন্তু —
কিন্তু এইয়া দেখিছোঁ কি ?
মায়াবী জোনৰ স্নিগ্ধ আলো খহি পৰা
এটি পপীয়া তৰা আকাশৰ ।
আৰু শুনিছোঁ—
নিৰ্জন ৰাতিৰ পথীটিয়ে কঢ়িয়াই অনা —
এটি সুৰ হতাশৰ ;
চিন্তাৰ সাগৰত বুৰ যোৱা-পিতৃৰ হুমুনিয়াহ
কৰ্মহীন যুৱকৰ উজাগৰী-চাটি ফুটি ।
আৰু —
সুৰাৰ ৰাগীয়ে মনৰ যন্ত্ৰণা ধোৱা মাতালৰ
অসংলগ্ন কণ্ঠস্বৰ ।
হায় ! এতিয়া যাওঁ কেনি ?
মই যে দিক্‌ভ্ৰান্ত ॥

# জ্যোতিৰ স্মৃতিৰে

শ্ৰীপ্ৰমোদ ৰঞ্জন দত্ত
প্ৰাক্ স্নাতক মহলা
২য় বাৰ্ষিক ( কলা )

তেতিয়া
প্ৰাক্ যৌৱন।
মিঠা বহাগী জোনালী নিশা—
খিৰিকী মুখত বহি
ভাবিছিলো—
জীৱনৰ হাঁহি স্বপ্নবোৰ পাম
তোমাৰ মাজেদি।
জীৱনৰ—
ছন্দে ছন্দে পাম
সুৰৰ লহৰী।
কণ্ঠে কণ্ঠে পাম
নতুন ৰাগিনী
আঁহে আঁহে হৃদয়ৰ
উদাত্ত আবেগ।
সঁচা তুমি আহিছিলা
বহু প্ৰতীক্ষান্তত।
মিঠা হাঁহি
নাচোন মনলৈ।
তেতিয়া যৌৱন নামিছিল
হঠাৎ তুমি আঁতৰি গলা।
মোৰ মানসী বাঞ্ছাৰ পৰা।
কাৰণ নিঃস্ব মই ৰিক্ত মই,
আজি তুমি নাই মোৰ জীৱনত
তথাপিও, স্মৃতিৰ পাতে পাতে
কলিজাৰ আঁহে আঁহে
জ্যোতি, তোমাৰেই ছবি।

---

# মোৰ স্মৃতি পটত

শ্ৰীলক্ষীমা ৰাজখনিকৰ
দ্বিতীয় বাৰ্ষিক কলা

মোৰ স্মৃতি পটত
এখন ছবি
আছে মোৰ কাষলৈ
অদূৰ ভবিষ্যতৰ
আৱৰ্জ্জনা বুলি ঠেলি দিওঁ
দূৰলৈ ...।

কিন্তু ...... ...।
নাজানো একোকে
বাধা বিঘিনি
এখন ছবি
সঘনে আহি
কৰে আমনি।

কোন আছে ?
কাৰ ছবি ?
কাৰ প্ৰতিবিম্ব সেইয়া ?
কিয় আছে ?
কিয়? কিয়? কিয়?

"মোৰ" অন্তৰত
আলোড়ণ তুলি।
কিয় থাকে ?
(অহৰহ) সেই প্ৰতিবিম্ব।
মোৰ মানস পটত
ভাঁহি ভাঁহি!!!

# "অশৰীৰি ক্ৰন্দন"

শ্ৰীদোণকান্ত গগৈ
প্ৰাক স্নাতক ১ম বাৰ্ষিক কলা

নগৰখনৰ মাজমজিয়াত অৱস্থিত কলেজখনৰ নৈকে সজা ১নং হোষ্টেলটোৰ নিচেই কাষতে আজি কিছুদিনৰ পৰা গহীন মাজৰাতি মাজে সময়ে এটি ক্ষীণ কান্দোনৰ ধ্বনি শুনিবলৈ পোৱা গৈছে। সেই কান্দোন অতি যন্ত্ৰণাকাতৰ আৰু মৰ্ম্মভেদী। বহুত অনুসন্ধান কৰিও এই সম্পৰ্কে একো ধৰিব পৰা নাই। হোষ্টেলৰ ভালেকেইজন লৰাই এই কান্দোন শুনি আতঙ্কিত হৈ পৰিছিল। এই কাৰণতে হোষ্টেলত ছাত্ৰসকল থাকিবলৈ এৰি দিছে। মোৰ মগজুত পোক সোমাল। কাৰ এই করুণ ক্ৰন্দন? কিহৰ বাবে এই ক্ৰন্দন?

"অমলদা আজি আমাৰ ঘৰলৈ যাবনা? মই সদায় আমাৰ ঘৰত আপোনাৰ কথা কৈ থাকো। আজি কিন্তু আপুনি মোৰ লগতে যাব লাগিব। যাব?" এবছৰৰ আগতে অমলে লগ পাইছিল মধুমিতাক। একেলগতে, একে ক্লাচতে প'ঢ়ি থকা অৱস্থাতো অমলে এদিনো মতা নাছিল মধুমিতাক। কিন্তু এদিন মধুমিতাৰ কলমটো হেৰাই যোৱাৰ পিছত ...... অমলৰ হাতৰ পৰা কলমটো পাই তাই আনন্দিত হৈ পৰিছিল। সিদিনাৰ পৰাই দুয়োৰে অন্তৰত উদয় হ'ল ভালপোৱাৰ। ফাগুনৰ পচোৱাত বিহাৰ আঁচল উৰাৰ দৰে মধুমিতাৰ অন্তৰতো জাগৰণ হৈছিল নব প্ৰভাতৰ নৱ প্ৰনয়। সেয়েহে সিদিনা তাই মাতিছিল অমলক। মাক-দেউতাকৰ একমাত্ৰ সন্তান মধুমিতা। মাক-দেউতাকে অমলক লৈ বহুতো কল্পনাই কৰি পেলাইছিল। অমলৰ দেউতাক এজন উচ্চ শিক্ষিতলোক। মাতৃহীন অমলক দেউতাকে বহু কষ্টেৰে ডাঙৰ-দীঘল কৰিছে। প্ৰৱেশিকা পৰীক্ষাত প্ৰথম হৈ উত্তীৰ্ণ হোৱাৰ পাছত দেউতাকে উচ্চশিক্ষাৰ বাবে অমলক মহাবিদ্যালয়লৈ পঠাই দিয়ে। ইয়াতো অমলে কোনো

# বন্ধু! আঁতৰিলো তোমাৰ পৰা

শ্ৰীদিপ্তীময়ী কোঁৱৰ
প্ৰাক স্নাতক মহলা

অৱশেষত তুমি সক্ষম হলা
জলাবলৈ ??
মোৰ সত্বাটো যে ছাঁই হৈ গল ॥
বন্ধুত্বৰ দাবীৰে তুমি বাৰু
কি মহান নিদৰ্শন সুচালা ??
বন্ধু! এইয়া উজাগৰী নিশাৰ ক্ৰন্দনা,
তোমাৰ পাষাণ হৃদয়ৰ
উল্কাবোৰ সুঁৱৰি—
এটি ভুলৰ বাবেই
আজি মই ছন্দহাৰা
কৈছিলো তোমাক এদিন
তোমাৰ মূল্যবান সত্বাক
বেপেকৰা নকৰিবলৈ।
যেহেতু তুমি গাঠিছিলা
এখনি ইন্দ্ৰজাল
কামনাৰ—
বহুতৰ ওচৰত।

কিন্তু!!
মোৰ বন্ধুত্বৰ
নিস্বাৰ্থ অকৃত্ৰিম স্নেহক
তুমি যে নুবুজিলা ॥
ভুল কৰিলা বন্ধু!
মোক "চাইকীৰ" ৰূপত সজাই
নিজকে "কিউপিদ" হেন ভাবিলা।
সেয়ে আজি মই বহুত দূৰত
কোটি কোটি যোজন আঁতৰত
তোমাৰ পৰা।
কিয় জানা—?
আমি যে বিশ্বাসৰ চৰম সীমাত
উপনীত হৈছিলো
আৰু বন্ধুত্বক
তুমি যে মূল্য নিদিলা ??

———

বাধা নোপোৱাকৈ নিজৰ কৰ্ত্তব্য কৰি গৈছে। কিন্তু মানুহৰ জীৱন সময়ত অতি দুঃখজনক হৈ পৰে। প্ৰথমবাৰ দুখ অনুভৱ কৰাৰ পাছত দ্বিতীয়বাৰৰ বাবে তাৰ জীৱনলৈ দুখ আহিল দেউতাকৰ মৃত্যুত। তথাপি সি অতি উদ্যমেৰে অধ্যয়ণ কৰিবই লাগিছে। সেয়ে এদিন সি তাৰ দুখৰ কথাবিলাক মধুমিতাৰ মাক-দেউতাকৰ আগত উল্লেখক্ৰমে কৈছিল। সি কৈ যোৱা কথাবোৰ শুনি মধুমিতাই নীৰৱে চকুলো টুকিছিল। সেয়ে অমলে এদিন সুবিধা পাইছিল মধুমিতাৰ ঘৰতে থাকি পঢ়া-শুনা কৰিবলৈ। মধুমিতাই ইচ্ছা কৰিছিল অমলক নিজৰ কৰি লবলৈ। মাক দেউতাকৰ ক্ষেত্ৰটো সেই অৱস্থাটো ধৰিব পৰা গৈছিল। এইদৰে সিহঁতে এটা বছৰ পাৰ কৰি দিলে।

এদিন বাটতে সুন্দৰে অমলক লগ পালে। সি অলপ সময় থমকি ৰৈ অমলক কলে; "ঐ অমল, তোক মোৰ দুটামান কথা কব লগা আছে। কালিলৈ লগ কৰিবিচোন।" সিহঁত দুটাৰ মাজত কোনোদিন কথা হোৱা নাই। কিন্তু এতিয়া সি অমলক কি কথা কব তাৰ বিষয়ে ভাবি অমলে চিন্তা কৰিবলৈ ধৰিলে। তাক চিন্তিত যেন দেখি মধুমিতাই সুধিলে, "অমলদা আজি আপোনাৰ কি হৈছে ? ঘৰলৈ মনত পৰিছে নহয় ? বাদ দিয়ক; মানুহে সদায় চিন্তা কৰিব নাপায়।" কিন্তু অমলে তাৰ একো প্ৰত্যুত্তৰ নিদিলে। পাছ-দিনা সুন্দৰে তাক ক'লে — জান ? মানুহে পঢ়িলে পঢ়িবহে লাগে । ছোৱালীৰ লগত প্ৰেম কৰিবলৈ অহাটো ভাল নহয়।" কিন্তু তাৰ অন্তৰত কি আছে অমলে বুজি নাপালে। সিও যে মধুমিতাক ভাল পাবলৈ বিচাৰে তাক অমলে বুজা নাই। মধুমিতাই কিন্তু সুন্দৰৰ নামকে শুনিব নিবিচাৰে। এই বিলাক কথা মধুমিতাৰ মাক-দেউতাকে একেবাৰে জনা নাই। সুন্দৰে অশেষ চেষ্টা কৰিও মধুমিতাক নিজৰ হাতলৈ আনিব পৰা নাই। সেয়েহে এইবাৰ সুন্দৰে অমলক তাৰপৰা আতৰ কৰিবলৈ বিচাৰিছে। আৰু এদিন সুন্দৰে কেইজনমান লৰা লগতলৈ অমলক বেয়া ব্যৱহাৰ কৰে। আৰু কলে যে যদি সি মধুমিতাৰ প্ৰেম ভালপোৱাক প্ৰত্যাখান নকৰে তেন্তে সিহঁতে তাৰ ওপৰত অসৎ আচৰন কৰিব। কিন্তু তাৰ প্ৰত্যুত্তৰ স্বৰূপে অমলে সেইদিনা চকু পানীহে মচিছিল।

অন্য এদিন মধুমিতাই অমলৰ লগত ফুৰিবলৈ যাওঁতে মধুমিতাই অমলক সুধিছিল — "অমলদা ... মানৱৰ জীৱনলৈ দুখ কেতিয়া আহে ?" তাৰ উত্তৰ স্বৰূপে অমলে কৈছিল— "মানুহে যেতিয়া নিজ কৰ্মত নানাৰ ধৰণৰ বাধা পায় তেতিয়াই দুখ অনুভৱ কৰে"।

"তেন্তে আপুনিনো কিয় অনবৰতে মন মাৰি থাকে ?"

"মা দেউতালৈ মনত পৰে।"

"এতিয়া জানো পুনৰ মা-দেউতা ঘূৰি আহিব ?"

— নাহিলেও মা-দেউতাই যেন মোক কৈছে— 'অমল তই তোৰ কৰ্মৰ পৰা বহু আতঁৰি গৈছ। তই তোৰ প্ৰকৃত কৰ্ম কৰ !

সন্ধ্যা হোৱাৰ পাছত দুয়ো টাই ঘৰলৈ উভটিল যদিও মধুমিতাই বুজিব নোৱাৰিলে অমলে কি কথা কবলৈ বিচাৰিছে। কিন্তু অমলে সদায় চিন্তা কৰে কেনেকৈ সি তাৰ জীৱন গঢ়ি তুলিব। কেতিয়াবা সি চিন্তা কৰে মধুমিতাক ভালপোৱাৰ পৰা তাৰ কি হৈছে ? এই চিন্তা মনলৈ আহিলেই তাৰ মনত দুখ লাগে আৰু মধুমিতাৰ লগত থকা তাৰ সম্পৰ্ক জলাঞ্জলী দিবৰ মন যায়। কিন্তু সি আজি এখন লেডী জালত বন্দী। মধুমিতাৰ মৰমে তাক আৱৰি ৰাখিব নোৱাৰিলেও মধুমিতাৰ মাক-দেউতাকৰ মৰমে তাক আৱৰি ৰাখিছে। মাক দেউতাকৰ পৰাই সি অন্য ঠাইত থকাৰ কথা কব নোৱাৰে। পিতৃ-মাতৃহীন হলেও সি দদায়েক-খুৰীয়েকৰ অতি মৰমৰ। এইবোৰ কথা শুনিলে জানো তেওঁলোকে খং নকৰিব। এই বোৰ কথা ভাবি সি ব্যাকুল হৈ পৰে। তথাপি সেইদিনাই ৰাতি সি মধুমিতাক কলে "মধুমিতা আজিৰ পৰা তুমি মোক পাহৰি যোৱা আৰু ইয়াৰ পৰা মোক বিদায় দিয়া। তুমি যদি বিদায় দিয়া মই কালিলৈকে ইয়াৰ পৰা গুচি যাম। মোৰ কথা তুমি মা-দেউতাক কোৱা। মই ইয়াৰ পৰা যাওঁ।" কিন্তু তাৰ উত্তৰত মধুমিতাই একো নকৈ মাত্ৰ কান্দিছিল। লাহে লাহে সিহঁতৰ পৰীক্ষাৰ ওচৰ চাপি আহিল আৰু পৰীক্ষা দি অমল ঘৰলৈ যাবলৈ ওলাল। যাবৰ সময়ত সি মধুমিতাক কৈ গ'ল সি পুনৰ ঘূৰি আহিব আৰু মধুমিতাক বিয়া কৰাব। মধুমিতাৰ মাক-দেউতাকেও তাক ঘৰলৈ যাবলৈ অনুমতি দিলে। কিন্তু সিহঁতৰ প্ৰতিশ্ৰুতি জানো পুৰণ হ'ল ? সুন্দৰে নিজৰ কৰ্ত্তব্যক পাহৰি নগল। এতিয়া অমল ঘৰলৈ যোৱাৰ পাছত সি সদায় মধুমিতাক লগ কৰিবৰ কাৰণে চেষ্টা কৰে। এদিন সি মধুমিতাক লগ কৰাৰ সুবিধা পালে এখন দোকানত। লগ পাই সুন্দৰে তাইক ভাল পাবলৈ বিচৰাৰ কথা কলে আৰু নানা প্ৰলোভন

লগৰ লৰাবোৰৰ ওপৰত আস্থা হেৰুৱাই পেলায়। সিহঁতে বৰ্ত্তমানৰ কথা ভাৱি নাচায়। ভাৱে মাথো উজ্জ্বল ভৱিষ্যতহে। কিন্তু ভৱিষ্যতৰ বিষয়ে চিন্তা কৰি থাকোতেই যদি বৰ্ত্তমানতেই সকলো শেষ হৈ যায়? কথাটো ভাৱোতেই তাৰ যতীন দুৱৰাৰ এফাকি কবিতালৈ মনত পৰি যায়—

আজিয়েই দিয়া কালিলৈ কিয়
কোনে জানে মোৰ কালি কি হব
হাজাৰ হাজাৰ বছৰ বিয়পা
হয়তো অতীতে সামৰি থব—

অতীত ভৱিষ্যতৰ ৰঙীন সপোন ৰছাতেই সিহঁত মছগুল। বৰ্ত্তমানৰ সমস্যা কিন্তু জটিল।

মাকৰ আশা আছিল ৰমেনক ভালদৰে পঢ়ুৱাই বি, এ, টো পাছ কৰাই ঘৰখন পাতি দিব লাগিব। ভায়েক-ভনীয়েকৰো দায়িত্ব সিয়েই লব লাগিব। সেয়েহে মাকে অশেষ যত্ন কৰি তাক কলেজত পঢ়ুৱাইছিল। মাকৰ আশা বি, এ, টো পাছ কৰি কিবা এটা সংস্থান লোৱাৰ পাছত ঘৰ কৰিব পৰা 'বোৱাৰী' এজনী আনিব লাগিব।

মাকৰ বোৱাৰী অনাৰ কথা চিন্তা কৰোতেই ৰমেনৰ মনত পৰি গ'ল বিজয়ালৈ। তাৰ অন্তৰ জয় কৰা বিজয়া। সচাঁ বিজয়াই তাৰ অন্তৰখন চুৰ কৰি লৈ গ'ল। নহলেনো কিয় তাৰ প্ৰতি পলে পলে মনত পৰি থাকে বিজয়ালৈ! ইমান ভাল পাই সিহঁত দুয়োটাই দুয়োটাকে। দুয়োটাই প্ৰতিজ্ঞাত আৱদ্ধ হৈছিল মৰমৰ ডোলেৰে বান্ধিম বুলি। কিন্তু আজি তাৰ বুকুত তিনিটাকৈ গুলী। কথাটো যদি বিজয়াই জানিলেহেঁতেন বা বিজয়া তাৰ কাষত থাকিলহেঁতেন .. কিমান শুশ্ৰূষা কৰিলহেঁতেন তাক। তাৰ মনটো ব্যাকুল হৈ পৰিছে। কেনেকৈ চিনাকি হৈছিল বাৰু সি এই বিজয়াজনীৰ লগত? সেই দিনটোৰ কথা ভাৱিলে তাৰ হাঁহি উঠে। তাৰ নিজকে নিজে বিজয়ী বীৰ যেন লাগি যায়। কিমান গাজা মাৰি সি বিজয়াক বচাই আনিছিল ৰেগিঙৰ পৰা। আৰু চিনাকী হোৱাৰ সুবিধাকণ গ্ৰহণ কৰিছিল। তাৰ মনটো সেই দিনটোলৈ ঘূৰি গল?

সেইবছৰ ৰমেন বি, এ, মহলাৰ দ্বিতীয় বাৰ্ষিকলৈ উত্তীৰ্ণ হৈছে আৰু বিজয়া নতুনকৈ কলেজলৈ আহিছে। কলেজলৈ প্ৰথমদিনা অঁাহোতেই বিজয়া ৰমেনৰ দৃষ্টিত পৰিছিল আৰু তাৰ চিনাকি হবৰ মন গৈছিল। কিন্তু চিনাকী হব নোৱাৰিলে। সুবিধাটো মিলিল সেইদিনা বিজয়া কলেজত পদাৰ্পন কৰাৰ তৃতীয়া দিনা। সেইকেইদিন কলেজৰ পুৰণা লৰা-ছোৱালীবোৰৰ ভীষণ স্ফৰ্তি। ৰেগিং চলিছে। বিজয়া কলেজলৈ অহাৰ তৃতীয় দিনা কেইজনীমান ছোৱালীৰ দ্বাৰা ফুচুলাই মতোৱাই নিছিল পল্লৱ-বিপুল-হঁতে॥ ছোৱালীকেইজনী? সিহঁত আগৰ চুক্তিমতে লাহে লাহে অঁাতৰি গল। লৰাকেইটাই বিজয়াক নানান বেবেৰিবাং প্ৰশ্ন কৰি নাৰ্ভাচ কৰিব ধৰিলে। বিজয়া গাঁৱলীয়া ছোৱালী। প্ৰথম কলেজলৈ আহিয়েই এনে এটা পৰিস্থিতিৰ সন্মুখীন হব লাগিব বুলি কল্পনাও কৰিব পৰা নাছিল। কিন্তু তাইৰ ভাগ্য ভাল সময়তে আহি ওলালহি ৰমেন। ৰমেনে জুমটো দেখিয়েই বুজিব পাৰিছিল কথাটো কি? আৰু উলিয়ালে এটা বুদ্ধি। সি বিজয়াৰ সম্পূৰ্ণ চিনাকি যেন হৈ কবলৈ ধৰিলে — "আৰে বিজয়া দেখোন? তুমি ইয়াত কি কৰিছা?" তাৰ পিছত বিপুল-হঁতৰ পিনে চাই ধমকিৰ সুৰত কবলৈ ধৰিলে —"তহতি আৰু ৰেগিং কৰিবলৈ ছোৱালী নাপালি? এইজনী মোৰ ঘৰৰ ছোৱালী। নাম বিজয়া। চিনাকী দিলো। আজিৰ পৰা যাতে নকৰ।" এইবুলি কৈ বিজয়াৰ হাতত ধৰি বহাৰ পৰা তুলি লৈ আহিল। আৰু বিজয়া? এনে এটা বিপদৰ পৰা ৰক্ষা পৰিবৰ বাবেই সেইকন সুবিধা গ্ৰহণ কৰি সকলোৰে প্ৰতি নমস্কাৰ জনাই ৰমেনৰ লগত গুচি আহিল। আৰু তাৰ পাছত? তাৰ পাছত ৰমেন বিজয়াৰ মাজত গঢ়ি উঠিল ভালপোৱা; মৰমেৰে—অন্তৰেৰে। আৰু সেই মৰম সম্পূৰ্ণ নিবিড় ৰূপত গঢ় লৈ উঠিল দুয়োটাই প্ৰতিজ্ঞাত আৱদ্ধ হ'ল যে এই মৰমৰ এনাজৰীডাল কোনো দিনেই নিচিঙে।

কিন্তু সি কৰিলে কি? বিজয়াক জয় কৰি সম্পূৰ্ণ এটা বছৰৰ পাছত কাকো খবৰ নিদিয়াকৈ যোগ দিলেহি ভাৰতীয় সৈন্য বাহিনীত। আৰু তাৰ বুকুত তিনিটাকৈ গুলী। তাৰ বুকুখন ভীষণ জোৰেৰে বিষোৱা যেন লাগিল। তাৰ অন্তৰখন বিষাদেৰে ভৰি পৰিল। সি জানো ঘূৰি গৈ বিজয়াক আগৰদৰে পাব? মাকৰ বোৱাৰীৰ আশা জানো সি পূৰণ কৰিব পাৰিব? ভায়েক ভনীয়েকৰ তত্বাৱধান জানো সি লব পাৰিব? সি জানো জীয়াই থাকিব? ইত্যাদি ইত্যাদি প্ৰশ্নই তাক আগুৰি ধৰিলহি।

: সি কত নিজেই নাজানে।

: গুৰুম+গুৰুম+গুৰুম!

: তিনিটা বন্দুকৰ গুলী খিৰিকীয়েদি সোমাই আহিল।

: তাৰ অন্তৰৰ মাজেদি আৰু এজাক ধুমুহা পাৰ হৈ গ'ল।

: তেতিয়াহে তাৰ মনলৈ চেতনা আহিছে।

: বাহিৰত ভীষণ ধুমুহা।

: সি পৰি আছে মেচৰ বিচনাত

: তাৰ অন্তৰৰ মাজেদি এচাটি শীতল শিহঁৰণ পাৰহৈ গ'ল।

: বুকুৰ ওপৰত লৈ থকা ইকন মিক্সৰ থিঅৰিখন আৰু জোৰেৰে হেঁচি ধৰিলে ৰমেন দুৱৰাই।

# অপৰা-জিতা

কুমাৰী কণু বড়া
১ম বাৰ্ষিক ( কলা )
প্ৰাক্-স্নাতক মহলা

ডাক্তৰে দিয়া প্ৰেচক্ৰিপচনখন হাতত লৈ কি কৰোঁ কি নকৰো বুলি ভাৱি পুনৰ ঘৰলৈকে খোজ ললো। ঘৰতো বহুত দিন কষ্ট ভুগিলো। উপায়ন্তৰ হৈহে আহিছিলো ডাক্তৰৰ পৰামৰ্শ বিচাৰি। বৰ ভাল ডাক্তৰজন। মোক হস্পিতেলত থাকিবলৈ চিট দিছিল। কিন্তু মইহে—নাথাকিলো। পইচা নাই মোৰ। বৰ দুৰ্ভগীয়া ছোৱালী মই।

"ভনটি।"

কাৰোবাৰ মাতত মই ঘূৰি চালোঁ। শুভ্ৰ বগা সাজ-পাৰ পৰিধান কৰা সেই গৰাকী নাৰ্চ। মোৰ কাষলৈই আগবাঢ়ি আহিছে।

"তোমাৰ দৰৱ লোৱা হ'ল জানো?" খুউৱ মৰম সনা মাতেৰে সুধিলে নাৰ্চ গৰাকীয়ে।

"বাইদেউ, মোক ইয়াত থাকিবলৈ কৈছে। কিন্তু মোৰ ···· যে পইচা নাই।" মই কলো।

কথাষাৰ শুনি বাইদেউক অলপ আচৰিত হোৱা যেন অনুমান কৰিলোঁ। সপ্ৰশ্ন নয়নেৰে বাইদেৱে মোৰ ফালে চাই ৰ'ল। তাৰ পাছত মোৰ হাতৰ প্ৰেচক্ৰিপচনখন হাতত লৈ সুধিলে

"তোমাৰ নাম জীতা চলিহা?"

মই মূৰ দুপিয়ালো। বাইদেউক পুনৰ আন্‌মনা হোৱা যেন দেখিলোঁ। ক্ষন্তেক পিছত বাইদেউৰ পিছে পিছে যাবলৈ কলে। বাইদেৱে মোক এটা কোঠাত বহিবলৈ দি বাহিৰলৈ ওলাই গল। মোৰ প্ৰতি বাইদেউৰ এনে সহানুভূতি জন্মাৰ কাৰণে মোৰ দুখৰ ছাঁ নিমিষতে নোহোৱা হৈ গৈছিল। অলপ সময়ৰ পাছত বাইদেৱে কলে –

"জীতা ভনটি, তোমাৰ শৰীৰ সম্পূৰ্ণ ভাল নোহোৱালৈকে মোৰ লগতে থাকিব পাৰিবা"।

মই অলপ ইতস্ততঃ কৰা যেন দেখিয়েই নেকি বাইদেৱে পুনৰ কলে — "ঘৰত মোৰ বাহিৰে দ্বিতীয়জন কোনো নাই; তুমি থাকি তাত অলপো আমনি অসুবিধা নাপাবা"।

মোৰ কথালৈ বাট নাচাই কিবা মনত পৰাৰ দৰে বাইদেউ পুনৰ কোঠাৰ পৰা ওলাই গল। বাইদেউৰ এনে আচৰণত মই আচৰিত নহৈ নোৱাৰিলো। ইমান মৰমিয়াল বাইদেউজনী। মোৰ দৰেই ছাগে আন আন ৰোগী বিলাকৰো সকলো যান্ত্ৰণা বাইদেউৰ স্নেহশীল ব্যৱহাৰত পৰিসমাপ্ত হৈ যায়। সচাঁকৈ মোৰ বাইদেউজনীও এনেকুৱা মৰমিয়ালেই আছিল। আজি যদি মোৰ বাইদেউ থাকিলহেঁতেন, মোৰ এনে অৱস্থা কেতিয়াও হবলৈ নাপালেহেঁতেন! মইনো কিয় জীয়াই আছো?

"আহঁা জীতা"।

বাইদেউৰ মাতত মোৰ চিন্তাৰ আতদাল হেৰাই গ'ল! লৰালৰিকৈ বহাৰ পৰা উঠি বাইদেউৰ পিছে পিছে খোজ ললো। অলপ দূৰ গৈয়েই বাইদেউৰ ঘৰ পালো। সৰু ঘৰ। খুব পৰিপাটীকৈ সজাই থোৱা আছে। ভৰি হাত ধোৱাৰ পাছত বাইদেৱে মোক এটা টেবলেট খাবলৈ দিলে। তাৰ পাছত পাক ঘৰতে মোক বহিবলৈ দি নিজেই ৰুটী বনাবলৈ লাগিল। কিয় জানো বাইদেউ জনীক মোৰ নিজৰ বাইদেউজনীৰ দৰেই লাগিছে—অপৰা বাইদেউ। মোৰ অপৰা বাইদেউৰে ··· ধেৎ। কিযে অনাহুত চিন্তাবোৰ আহি থাকে মনলৈ?

"জীতা, তোমাৰ ঘৰত কোন কোন আছে?"

বাইদেউৰ এই প্ৰশ্ন শুনাৰ লগে লগে মোৰ এটি দুখৰ হুমুনিয়াহ ওলাই পৰিল। এই প্ৰশ্নৰ বাবে মই একেবাৰে অপ্ৰস্তুত আছিলো। আৰু লগে লগে দুগালে দুধাৰি চকুলো বাগৰি পৰিল। তথাপি বাইদেউক উত্তৰ দিবলৈ চেষ্টা কৰিলো।

"বাইদেউ, মোৰ বৰ্ত্তমান কোনো নাই। মই সৰু হৈ থাকোতেই মোৰ মা ঢুকাল। বাইদেউ এজনী আছিল। অত্যন্ত কষ্টেৰে হেনো মোক ডাঙৰ দীঘল কৰিলে। কিন্তু মই অলপ বুজা হোৱাৰে পৰা বাইদেউক নেদেখিলো। ক'ত যে গ ল না পাওঁ। আগৰ কথা মোৰ মনত নাই, কিন্তু কোৱা শুনিছো — মাৰ মৃত্যুৰ পাছৰ পৰা হেনো দেউতা আন তিৰোতাৰ প্ৰতি আসক্ত হ ল! এই কথা বাইদেউৰ মনত অসহনীয় হৈ পৰিল। সদায় এই কাৰণেই হেনো বাইদেউৰ লগত কাজিয়া হৈ থাকে। লাহে লাহে দেউতাৰ মনৰ

মাজত থকা জন্তুৰ প্ৰকৃতিবোৰ ওলাই পৰিল। দেউতাৰ অত্যাচাৰত বাইদেউ থাকিব নোৱাৰি ঘৰ এৰি গুচি আহিবলৈ বাধ্য হ'ল। ইটো-সিটো কাম কৰিব পৰা হোৱাত দেউতাই মোক মানুহ এঘৰলৈ পঠাই দিলে। অত্যন্ত কষ্টেৰে মই বলেৰে নোৱাৰা কামটোও কৰিব লগা হয়। লাহে লাহে দেউতাৰ খবৰ নোপোৱা হ'লো। সদায়েই এবুকু বেদনা আৰু চকুলোৰে গোটেই দিনটো কাম কৰি কৰি কটাই দিওঁ। আজি প্ৰায় ১৫ দিন মানেই হ'ল মোৰ গা-ভাল নোহোৱা। অথচ মানুহ ঘৰৰ কাৰো মোৰ প্ৰতি অকণমান মৰম-দয়া নুপজিল। সেই কাৰণে আজি ময়েই গুচি আহিলো।" কথাখিনি কৈ মই ৰব নোৱাৰি হুকহুককৈ কান্দি দিলো। বাইদেউকো দেখিলো যে বাইদেউৱে চাদৰৰ আগেৰে চকুলো মচিছে। হয়তো, মোৰ দুখৰ কথাবোৰে বাইদেউৰ মনতো দকৈ আঘাট দিলে। তাৰ পাছত বাইদেউৱে ঘপকৈ উঠি মোক সাৱটি ধৰি কান্দি কান্দি কলে —

"জীতা, ময়েই তোৰ হেৰাই যোৱা অপৰা বাইদেউ। তোক ইমানদিনে বহুত কষ্ট দিলোঁ। তাৰ বাবে মোক ক্ষমা কৰিবি জীতা।"

বাইদেউৰ কথাবোৰ শুনি মইও আনন্দত আত্মহাৰা হৈ বাইদেউৰ ডিঙিত সাৱটি ধৰিলো। বাইদেউৱে মোৰ গালত চুমাৰ উপৰি চুমা খালে। মোৰ দুগালেদি ধাৰাষাৰে আনন্দৰ চকুলো বাগৰি পৰিল। কিমান দিনৰ পাছত যে মোৰ হেৰোৱা বাইদেউজনীক আজি পুনৰ ঘুৰাই পালে।

---

# পথ আৰু উপপথ

শ্ৰীদেৱকমল কোঁৱৰ
২য় বাৰ্ষিক (কলা)
প্ৰাক্-স্নাতক মহলা

আজি কেইদিনমানৰ পৰা প্ৰাঞ্জলে যিকোনো এটা কাম কৰিবলৈ ললেই বাধা পাই ভনীয়েক মামণিৰ পৰা। মামণি প্ৰাঞ্জলৰ চোৰাংচোৱাৰ দৰে হৈ পৰিছে। গোটেই দিনটোত প্ৰাঞ্জলে ক'ত কি কৰে কি নকৰে সেই সকলোবোৰ খবৰ-বাতৰি ভনীয়েকে মাক-দেউতাকক লগাই থাকে, সেয়ে প্ৰাঞ্জলৰ তাইৰ ওপৰত খং উঠে। সেইকাৰণে সি সদায় তাইৰ পৰা আঁতৰত থাকিবলৈ বিচাৰে। কিন্তু চতুৰালি, বুদ্ধিমতী মামণিৰ ওচৰত সি সদায় ধৰা পৰে। আনদিনাৰ দৰে আজিও প্ৰাঞ্জলে কলেজৰ পৰা আহি চাহ খালে আৰু তাৰ পাছত ভনীয়েকে শুশুনাকৈ মাকক কলে — মা, মই আজি লাইব্ৰেৰীলৈ যাওঁ। মাকেও কলে যাব পাৰা কিন্তু সোনকালে আহিবা। প্ৰাঞ্জলে লাইব্ৰেৰীলৈ যাওঁ বুলি ওলাই আহি চাইকেলখন লৈ ভিনি আলিৰ ফালে গৈ লগৰ লৰা-বিলাকৰ লগত বল খেলিবলৈ ধৰিলে। ইফালে ভনীয়েকে আবেলি ফুৰিবলৈ আহি দেখে যে ককায়েকে লাইব্ৰেৰীলৈ যাওঁ বুলি খেলি আছে। বাৰু খেলক; তাৰ কথা আজি মাক লগাই দিম। তাই লগৰ লগৰীয়া কেইজনীৰ সৈতে উলটি আহি সন্ধিয়াৰ আগে আগে ঘৰ পালেগৈ। চাকি, লেম্প জ্বলাই পঢ়াৰ কোঠাত সোমাই প্ৰাৰ্থনা কৰিলে। ইফালে প্ৰাঞ্জলও আহি যথাসময়ত ঘৰ পালেহি। নিজৰ পঢ়াৰ ঠাইলৈ সোমাই লেম্পটো বঢ়াই দি চেন্দেলজোৰ লৈ ভৰি-হাত ধুই, ধূপধূনা লগাই পঢ়াত লাগিল। সি অলপ পঢ়াৰ পাচত তাৰ ভাগৰ লাগিল আৰু টোপনি আহিল। তেতিয়া সময় ৬ বাজি ৩০ মিনিট গৈছে মাত্ৰ। ইফালে মামণিয়ে তাৰ বল খেলাৰ কথা কবলৈ বুলি পাড়িয়েই আছিল। এইটো সুযোগতে তাই চাকিটোৰ পৰা অলপ চাকিছাই লৈ মনে মনে প্ৰাঞ্জলৰ নাকৰ তলত একোচা দাঁড়ি আঁকি দিলে। অলপ দেৰীৰ

পাছত তাই আঁতৰৰ পৰা সি সাৰ-পোৱাকৈ চিঞৰি কলে; মা, প্ৰাঞ্জলদাই আজি বলখেলি সাত নৌ বাজোতেই টোপনীয়াইছে। সি ঘপকৈ সাৰ পালে। ভনীয়েকে লগোৱা দেখি তাৰ খং উঠি গ'ল। সি খঙত একো নাই হৈ ভনীয়েকক মাৰিবলৈ খেদি গ'ল। ভনীয়েকেও জোৰেৰে চিঞৰি দিলে। দেউতাক ভিতৰৰ পৰা ওলাই আহি এনে কাৰ্য্য দেখি তাক অলপ গালি পাৰিলে আৰু কলে—

"তই বল খেলিছিলি?

"নহয় দেউতা তাই এনেই এনেই লগাইছে।"

"ইস্, মই সঁচা কথা কলতহে মোক মাৰিবলৈ আহিছে।"

এনেদৰে খাম-খেয়ালী লাগি থাকোতেই মাক ভিতৰৰ পৰা ওলালহি।

"মা অথনি দাদায়ে তোমাকো ফাঁকি দিলে, লাইব্ৰেৰীলৈ যাওঁ বুলি স্কুলৰ ফিল্ডত বল খেলি আছিলগৈ।"

"যদি তুমি টোপনিওৱা নাছিলা তেনেহলে সেই দাড়ি কোছা কোনে আঁকিলে বাৰু? তুমি টোপনিত কব নোৱাৰা……।"

বাপেকে এই দৃশ্য মনেই কৰা নাছিল। মামণিয়ে কোৱা দেখিহে চালে, মাক-বাপেকে এই কাৰ্য্যত নহঁহাকৈ নোৱাৰিলে। সি লৰমাৰি ভিতৰলৈ গ'ল ডাঙৰ আইনাখনত চাই মুখৰ দাড়ি কোছা মোহাৰি পেলালে।

আগদিনাৰ দৰে সেই দিনাও সি বহুত পৰলৈ কিতাপ পঢ়ি আছে কাৰণ পি, ডি, চি, চেকেণ্ড ইয়েৰৰ ফাইনেল টেষ্ট পৰীক্ষা নিচেই ওচৰত। মাত্র মাজতে মাহ এটাহে আছে। ফেব্ৰুৱাৰীত পৰীক্ষা হবই। পঢ়া একেবাৰেই হোৱা নাই। ইমানদিন এনেই কথা পাতি আড্ডা মাৰি থাকোতেই গ'ল পাচত বা কি হয় কোনে জানে? আগত ইংৰাজী Poetry খন মেলি দুটামান কৱিতা পঢ়িলে। কৱিতা কেইটা পঢ়ি সি একো বুজিব নোৱাৰিলে। ভাবিবলৈ ধৰিলে দন্ত চাৰেনো কি বুজায় ধৰিবই নোৱাৰি। এইবেলি আৰু এবছৰমান লাগিব যেন পাইছোঁ। ইংৰাজী মইয়ে বুজা নাই নে অইন লৰাইও বুজা নাই? বাৰু এইবোৰ থাওঁক। সি ভাবি থাকোতেই তাৰ নৱ-চিনাকী অনুলৈ ঘপহকৈ মনত পৰি গ'ল। এই দুদিনতে তাৰ মন আকৰ্ষণ কৰি পেলালে অনুৱে। বেছ ধুনীয়া ছোৱালী। আজি এটা বছৰ পাৰ হৈ গ'ল কোনো ছোৱালীয়ে মোৰ মন হৰি নিব নোৱাৰিলে কিন্তু অনু এই বছৰ আহিয়েই মোৰ একেবাৰেই তাইৰ ফলীয়া কৰি পেলালে। কালি দিয়া



চিঠিখনৰ উত্তৰ দিয়া নাই। তাই চাগে বাটলৈ চাই আছে। কালিলৈ বৰদিনৰ বন্ধ দিব; বহুত দিনলৈ অনুক লগ নাপাম। সি বহী এখনৰ মাজৰ পৰা ধুনীয়া কাগজ এখন উলিয়াই লৈ লিখিবলৈ ধৰিলে।

মৰমৰ

অনু,

মৰম থাকিল। তোমাৰ চিঠিখনৰ প্ৰত্যুত্তৰ স্বৰূপেই এইয়া…। যৌৱনৰ উৰ্বৰ পথাৰত দেখা-দেখি হৈছো তুমি আৰু মই। এটি দুটি ধূলিকণাৰে গঢ়া এই পৃথিৱীত জানো নতুনত্ব নাই? প্ৰত্যেক বস্তুতে একোটা নতুন পোহৰৰ সন্ধান পৰিস্ফুট হয়, ঠিক সেইদৰে তোমাৰ মোৰ মাজতো…। বৰদিনৰ লগতে নৱ-বৰ্ষৰ শুভেচ্ছাৰে…। আৰু প্ৰীতি উপহাৰ স্বৰূপে এই ২০ (বিশ) টকা পঠাইছো। ইতি—

তোমাৰ

"প্ৰাঞ্জল"

চিঠিখন লিখা শেষ কৰি সি জাপি কিতাপৰ মাজত থলে। সৰ্ব্বনাশ! পইচাৰ কথাটো লিখিলো কিন্তু পইচাটো ইমান নাই। মাত্র পাঁচ টকাহে আছে। বাকী কেইটা ক'ৰ পৰা পাম? সি লেম্পটো লৈ একেকোবেই ভিতৰলৈ গ'ল। তেতিয়া মাক-দেউতাকৰ সম্পূৰ্ণ টোপনি গৈছিল। সি মাকৰ বিচনাৰ কাষে কাষে আলমাৰিটোৰ চাবি বিচাৰিলে কিন্তু নাপালে। তলাটো বেছকৈ মৰা আছে। কাৰণ আলমাৰিটোৰ ভিতৰতহে চন্দুকটো আছে। দেউতাকে আজি দুদিনৰ আগতে দৰমহা পাইছিল। সি চাবি কোছা নাপাই পুনৰ ঘূৰি আহিল। এনেতে মাক টোপনিৰ পৰা চক্‌মক্‌কৈ সাৰ পাই ঘৰটোত পোহৰ দেখি চক্‌খাই উঠিল—

প্ৰাঞ্জল?

মা।

ইমাত কি বিচাৰিছা?

তাৰ চুলি আগে জীৱ গ'ল।

এগিলাছ পানী মা…।

মাকে সঁচাকৈ বুলি পুনৰ শুই পৰিল। প্ৰাঞ্জলে একেকোবে আহি লেম্পটো নুমুৰাই বিচনাত শুই পৰিল।

বহুত পৰলৈকে তাৰ টোপনি অহা নাই। সি উজাগৰে আছে। কিবা-কিবি অলিক ভাৱনা। মনতে সাজিছে মনতে পাভিছে ইটোৰ পিছত সিটোকৈ। ক্ষণবোৰ পাৰহৈ যাব লাগিছে এনেতে জিৰণীকোঠাত থকা 'ৱালক্লক'টোৰে কৰ্কশ শব্দে মাৰি গ'ল ১২ বজাৰ ঘণ্টা। সি ইটোৰ পাছত সিটোকৈ লিখি যাবলৈ

ধৰিলে। বাৰ' সি আচৰিত। হৈ লাইটটো মাৰি নিজৰ ঘৰীটো চালে। সময় ঠিক ···· সি পুনৰ লেপখন তুলিলৈ শুই পৰিল। অলপ পৰৰ পাছতেই তাৰ টোপনী আহিল।

ৰাতি পুৱাল, খিৰিকীৰ ফাঁকেদি পোহৰ আহি তাৰ কোঠাত পৰিল। সি সাৰ পাই তাৰ টেবুলত থকা ঘড়ীটো চালে সময় ৭ (সাত) বাজিছে। প্ৰথমে সি জাবত উঠিবলৈ মন কৰা নাছিল যদিও কলেজলৈ যাব লাগে। আজি ৯-৩০ ৰ পৰাই ক্লাচ আছে। অ' আজি বৰদিনৰ বন্ধ দিব। বৰুৱা চাৰে প্ৰথম ক্লাচ লব এই বুলি সি মুখ হাত ধুই চাহ খালে। যোৱাকালি দেউতাকে অনা 'আমি যুগমীয়া' নামৰ কাকতখন চাই তাৰ ঘপহকৰে মনত পৰিল ৰাতি লিখা চিঠিখনলৈ। তাৰ বুকুখন ঢুক ঢুক কঁপিবলৈ ধৰিলে ······ টকা ২০ টা। সি ভিতৰলৈ সোমাই গল — ভিতৰত কোন কোন আছে চালে। দেউতাক বাৰীত, মাক ৰান্ধনি ঘৰত শাক কুটি আছে। মামনি কেনি গ'ল সি চকু ফুৰাই চালে — নেদেখিলে। সি আলনাডালত আঁৰি থোৱা দেউতাকৰ চোলাৰ জেপটোত হাত ভৰালে। হঠাতে সি এখন নতুন বিশটকীয়া নোট উলিয়াই আনিলে। এই কাৰ্য্যটো মামনিয়ে আঁতৰৰ পৰা লক্ষ্য কৰি আছিল। তাই তাক একো নকলে। প্ৰাঞ্জলে সেই টকাখিনি চিঠিখনৰ সৈতে একেলগ কৰি নিজৰ বিচনাখনৰ গাৰুৰ তলতে থৈ গা-ধুবলৈ গ'ল। সেইটো চেগতে মামনিয়ে আহি তাৰ কিতাপ-পত্ৰবোৰা ফান ফান কৰিবলৈ ধৰিলে দেউতাকৰ জেপৰ পৰা আনি সি ক'ত থলে তাই কিতাপত বিচাৰি নাপালে পাচত তাই তাৰ বিচনাখনত বিচাৰিলে। ঘপহকৰে তাই তাৰ গাৰুটো লুটিয়াই দিলে; তাইৰ চকুত পৰিল এটি সৰু খাম। খামটো খুলি দেখে এখন সৰু চিঠি অনুলৈ তাৰ মাজতে ২০ টকীয়া নোট এখন। তাই পুনৰ তাতে আগৰদৰে থৈ গুচি আহিল। প্ৰাঞ্জলে গা-পা ধুই আহি ভাত পানী খাই চাইকেলখনলৈ কলেজলৈ গ'ল ৮ বাজোতেই ····· । সি ক্লাচত সোমাল। প্ৰথম পিৰিয়দত ইংৰাজীৰ অধ্যাপক আহিল। অলপ পাছতেই চৌকিদাৰে এখন শ্লিপ দি গ'ল বৰুৱা চাৰে প্ৰথম পিৰিয়দত ক্লাচ নকৰে ৪ৰ্থ পিৰিয়দতহে কৰিব। তাৰ ভাল নালাগিল। কাৰণ সি বৰুৱা চাৰৰ ক্লাচ বুলিহে খৰখেদাকৈ আহিছিল। ইংৰাজীৰ প্ৰফেচাৰে কি বুজালে সি একোকে কব নোৱাৰিলে। বাৰে বাৰে তাৰ চকু ঘড়ীটোলৈ। এনেতে ঘটংকৰে ঘণ্টা পৰিল। প্ৰফেচাৰ



ওলাই গ'ল। বাকী দুটা ক্লাচ সি বাদ দিলে। কেন্টিনতে কথা পাতি, আড্ডা মাৰি চাহ খাই বহি থাকিল। ৩য় পিৰিয়দৰ ঘণ্টা পৰিল সি পুনৰ ক্লাচলৈ আহিল। পোনে পোনে নটিচ বৰ্ডখনলৈ চালে বন্ধ দহ দিন। তাৰ মনটো প্ৰফুল্লিত হ'ল। কাৰণ আজি কলেজৰ পৰা ঘূৰি যাওঁতে মেটিনী শ্ব চাব। সি মনতে ভাৱিলে — "মা আজিৰ কাৰণে ক্ষমা কৰিবা।"

৪ৰ্থ পিৰিয়দ আৰম্ভ হ'ল। বৰুৱা চাৰো আহিল। চাৰৰ কলেজখনৰ ভিতৰত নাম আছে, চাৰে ভাল বুজায়। তেখেতক কলেজখনৰ ভিতৰত কোনো ল'ৰা-ছোৱালীয়ে অৱজ্ঞা নকৰে। তেখেতৰ ক্লাচ যিমান ধুৰন্ধৰ লৰা হলেও খতি নকৰে যেন লাগে। তেখেতৰ কথাবোৰ শুনিলে শুনি থাকিবৰ মন যায়। কথাবোৰ মৌ বৰষা। তেখেতৰ পিৰিয়দত এনেহে লাগে যেন মিনিটৰ কাঁটা কেইডাল চকুৰ পচাৰতে আগবাঢ়ে। সেই বৰুৱা চাৰৰ ক্লাচত আজি সি মন বহুৱাব পৰা নাই। তাৰ মনটো সমুখৰ বেঞ্চখনত বহি থকা ভানু, নীৰু, অনুহঁতলৈ সঘনে যাব ধৰিলে। কেতিয়াকৈ সময়টো যায়, কেতিয়াকৈ পিৰিয়ডটো শেষ হয়, সিহঁত আটাইকেইজনীৰ লগত কথা পাতি কেতিয়াকৈ যাবলৈ পাব এনে ভাৱবোৰে তাক আকোৱালি ধৰিছেহি। সিহঁতৰ বিভিন্ন ৰঙৰ দামী শাৰী, চাদৰবোৰ, ৰঙা ৰঙা ৰবী ফিটাকেইডাল আৰু বিভিন্ন ৰঙৰ ব্লাউজ কেইটালৈ সঘনে চকু যাবলৈ ধৰিলে।

ঘণ্টা পৰিল। প্ৰাঞ্জলে বহীখন হাতত লৈ ওলাই আহিল বাহিৰলৈ। সি আৰু ক্লাচ নকৰিলে। কেন্টিনতে আকৌ আড্ডা মাৰি বহি থাকোতেই সময় প্ৰায় ১½ বাজিল। সি চাইকেলখন লৈ টাউনৰ ফালে আহিবলৈ ধৰিলে। বৰদিনৰ বন্ধ পাই অনুৰেও অলপ পলমকৈ আহিছিল কলেজৰ পৰা। টাউনৰ ভিতৰত অনুৱে বহুতো বস্তু কিনিলে। প্ৰাঞ্জলেও সিহঁতৰ লগ ললে। সিহঁত আটাই কেইটা চাহ খাই আহিবলৈ ধৰিলে। বহুতো কথা পাতি 'এমিবা' ·· খোজেৰে ·· ৰাষ্টাত ক্ৰমান্বয়ে ভানু, নীৰুহঁতক বৰদিনৰ শুভেচ্ছা দি বিদায় দি দুয়ো আহিবলৈ ধৰিলে। আজি দুদিনতে প্ৰাঞ্জলে অনুৰ মনৰ বিষন্নতাৰ কথা বাহিৰ কৰিছিল। সিহঁতে ক্ৰমান্বয়ে অনুহঁতৰ দীঘলীয়া সৰু পদূলিটো পালেহি। পদূলি মূৰৰ সৰু আহঁতজোপাৰ তলতে অলপপৰ বৈ প্ৰাঞ্জলে তাৰ জেপৰ পৰা চিঠিখন দিলে — "অনু নৱবৰ্ষৰ শুভেচ্ছাৰে তোমালৈ।" অনুৱেও এই একে কাৰণেই লৈ আহিছিল "দা লওক

এইয়া শুভেচ্ছা" বুলি বহীৰ মাজৰ পৰা এটি সৰু পেকেট উলিয়াই প্ৰাঞ্জলৰ ফালে দিলে। বাই বাই অনু ··· বাই বাই ···দুয়ো দুফালে গুচি গ'ল। অনুৰে সৰু ৰাষ্টাটোৰ মূৰত বৈ প্ৰাঞ্জলৰ ফালে চায় থাকিল। সি চাইকেলখনলৈ জোৰেৰে ঘূৰি আহিবলৈ ধৰিলে। অনুৰে প্ৰাঞ্জল অদৃশ্য নোহোৱালৈকে চাই থাকিল। প্ৰাঞ্জলক নেদেখা হলত তাই গুচি গ'ল।

প্ৰাঞ্জল টাউন পালেহি। তেতিয়া সন্ধিয়া লাগিল, টাউনৰ লাইটবোৰ জ্বলিল।

অন্যহাতেদি দেউতাকে কাম কৰি থকাৰ কাৰণে অফিচলৈ যোৱা আজি পলম হ'ল। ১০ মান বজাত অফিচলৈ যাবলৈ ওলাইছে। এনেতে প্ৰাঞ্জলৰ মাকে চোলা, চুৰিয়া, কোটটো আনি দিলেহি। তেওঁ পোচাকটো পিন্ধি জেপত কি কি আছে চালে। সকলো বস্তু আছে কিন্তু ওপৰ জেপত থকা বিশটকীয়া নোটখন নাই। তেওঁ আচৰিত হৈ বিচাৰিবলৈ ধৰিলে— চোলা কোটটোৰ আটাইকেইটা জেপতে বিচাৰিলে—নাই ক'তো নাপালে। নাপাই প্ৰাঞ্জলৰ মাকক কলে—"কালি মোৰ ওপৰ জেপৰ পৰা বিশটকীয়া নোট এখন নিছিলা নেকি ?"

"ওহো মইতো চোৱাই নাই !"

"তেন্তে মামনিয়ে নিলে। কালি তাই মোক চেন্দেল এজোৰ কিনিবলৈ কৈছিল। এই ছোৱালীজনীৰ পৰা মোৰ আৰু উপায় নাই, ছোৱালীয়েহে ঘৰ ধ্বংস কৰে। পাউদাৰৰ পৰা ফিটালৈকে কিনিয়েই থাকো তেও নোজোৰে— পইচা চুৰ কৰি নিছে। ইহঁতক পৰে বাইছে যেন পাইছো।"

মাকে এই কথাত বৰ দুখ পালে। পঢ়ি শুনি সিহঁত ভাল হব চাৰি বিপথেহে গৈছে। এনে লৰাছোৱালীৰ পৰা কি সুখ হব। ইহঁতৰ পৰা নাক কটা পঠিয়াব লাগিব। ইয়াৰ প্ৰধান কাৰণ কি? ইয়াৰ বাবে দায়ী কোন?

দুই বজাত স্কুল ছুটী হ'ল। মামনি ঘৰলৈ আহিল। তাই এজনী বেচ বুজন ছোৱালী, নাইনত পঢ়ে। আগৰ দৰে হোৱা হলে এইবাৰ ফাইনেল পৰীক্ষাই দিব লাগিলহেঁতেন। মাকে মামনি অহাৰ লগে লগে সুধিলে— তাই নাই নিয়া বুলি কলে। কিন্তু মাকে এই কথাত পতিয়ন যাব নোৱাৰিলে। প্ৰাঞ্জলেতো তেনে কাম নকৰে। সিয়েই ঘৰখনৰ ভিতৰত ডাঙৰ। তাৰ পাচতে ভনীয়েক, বাকী কেইটা সৰু। সিহঁতে নিয়াহলে মোক কলেহেঁতেন। প্ৰাঞ্জলেতো তেনে কাম কৰিবলৈ দিন নাই। কাৰণ



সি প্ৰাক্-ডিগ্ৰী কৰ্চৰ ২য় বাৰ্ষিকৰ ছাত্ৰ। সিও ঘৰখনৰ কথাটো বেছ বুজি পায়। সি তেনে কাম কৰা নাই।

মামণিয়ে আবেলি ফুৰিবলৈ গ'ল লগৰ লগৰীয়াহঁতৰ লগত। কিছুপৰৰ পাছত ঘূৰি আহিল। লেম্প, চাকি জ্বলালে। প্ৰাঞ্জল তেতিয়াও ঘূৰি নাহিল। মাকে মামনিক সুধিলে "প্ৰাঞ্জল আজি ইমান পৰলৈকে অহা নাই; সি কলৈ গ'ল কিবা গম পাৱনে?" "মা, প্ৰাঞ্জলদাই হেনো ছোৱালী এজনীৰ লগত সদায় কথা পাতি পাতি ৰাষ্টাত যায়। আজি মোক স্কুলত সিহঁতৰ ওচৰৰ ছোৱালী এজনীয়ে কৈছিল। এতিয়াও সি সেই ছোৱালীজনীৰ লগত গৈছে বুলি মিনাৰামে কলে।" অলপ পাচতে প্ৰাঞ্জল আহি ঘৰ পালেহি। চাইকেলখন সুমুৱাই থৈ হাত ভৰি ধুলে আৰু পঢ়াৰ কোঠাত সোমাল। পেন্ট চাৰ্টজোৰ সলাই হেঙাৰডালত আৰি থলে। সি ধূপ-ধুনা জ্বলালে এনেতে বাপেক অফিচৰ পৰা আহিল। মাকে ভিতৰৰ পৰা আহি বাপেকক বহিবলৈ দিলেহি। বাপেকে পোনে পোনেই মামণিক কলে— "মামণি, আজি তুমি মোৰ সোহাতখন কাটিলা কিয়?" মামণিয়ে পঢ়াৰ ঠাইত বহি আছিল। তাই অস্বাভাৱিক ভাৱে বাপেকৰ এনে কথা শুনি লৰ মাৰি আহি কলে— "কি দেউতা? মই আপোনাৰ হাত কাটিলো কতা?" বাপেকে প্ৰাঞ্জলৰ ওচৰলৈ গৈ কলে—"হয়নে প্ৰাঞ্জল, তুমি আজি মোৰ ২০ টকীয়া নোট এখন নিলা?" "ম-ম-ম মই নাই নিয়া" বুলি সি কোনোমতে উচ্চাৰণ কৰিলে। মামণিয়ে ডাঙৰকৈ হাঁহি দিলে। তাই এই কথাটো পিছত কম বুলি ভাবিছিল। "দেউতা প্ৰাঞ্জল দাই ···।" তাই লৰালৰিকৈ পইচাটো বিচাৰি তাৰ লংপেন্টৰ জেপত হাত ভৰালে। তাই পোনেই জেপত এটা সৰু পেকেট পালে। তাই উলিয়াই আনি খুলি পেলালে। তাৰ ভিতৰত এখন এমব্ৰইডাৰী কৰা ৰুমাল আৰু তাৰ মাজত এখন সৰু 'ফটো' অনুৰ। মামণিয়ে ফটোখন মাকৰ হাতত দি ৰুমালখন তাৰ কান্ধত তুলি দিলে। মাক দেউতাকে বিস্মৃত হৈ ইজনে-সিজনলৈ চাই ৰ'ল।

প্ৰাঞ্জলে লাজত তলমূৰ কৰি বাহিৰলৈ ওলাই আহিল। আকাশত ডাৱৰে জোনটো ঢাকি ধৰিছে। বাহিৰত চকাচন্দা পোহৰ। প্ৰাঞ্জলে লাহে লাহে ৰাষ্টালৈ ওলাই গৈ কিছুদূৰত থকা পুলটোত বহি পৰিল। তাৰ নিজকে অপৰাধী যেন লাগিল। ভালপোৱাৰ নামত সি এইবোৰ কি কৰিছে। ছাত্ৰ

হিচাবে সি নিজৰ কৰ্ত্তব্য অৱহেলা কৰিছে, মাক-দেউতাকক প্ৰতাৰণা কৰিছে। তাৰ মনটো কিবা দুখভাৱেৰে ভাৱাক্ৰান্ত হৈ পৰিল। মাৰ্মাণৰ প্ৰতি তাৰ অকণো খং উঠা নাই, অকণো ক্ষোভ নাই। মাত্ৰ নিজৰ দুৰ্ব্বলতাখিনিৰ কথা ভাৱি ভাৱি তাৰ মুখেদি অজানিতে এটা হুমুনিয়াহ ওলাই আহিল।

---



# এগৰাকী ছাত্ৰীৰ দৃষ্টিৰে—আজিৰ শিক্ষা

## এটি পৰ্য্যালোচনা

শ্ৰীবন্দনা বৰুৱা
প্ৰাক্স্নাতক মহলা
২য় বাৰ্ষিক

স্বাধীনতাৰ পাচৰে পৰা ভাৰতত, বিশেষকৈ অসমত উদ্ভৱ হোৱা সমস্যা সমূহৰ ভিতৰত শিক্ষা সমস্যা অন্যতম। আজিকোপতি এই সমস্যাৰ সমাধানৰ কোনো উপায় কোনো শিক্ষাবিদে দিব পৰা নাই। শিক্ষাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাবোৰৰ সমাধান কৰিবৰ বাবে বৰ্ত্তমানে দেখা গৈছে যে চৰকাৰে শিক্ষানুষ্ঠান সমূহৰ শ্ৰেণীৰ যোগ বিয়োগ কৰিছে, পাঠ্যক্ৰম সলনি কৰিছে, প্ৰত্যেক বছৰে নতুন নতুন নিয়ম প্ৰৱৰ্ত্তন কৰিছে। কিন্তু এই-খিনিয়েই শিক্ষা সমস্যাৰ আমূল পৰিবৰ্ত্তন সাধন কৰিব নোৱাৰে যদিহে শিক্ষাৰ প্ৰধান সমস্যা সমূহত জড়িত হৈ থকা দোষবোৰ দূৰ কৰিব পৰা নাযায়।

জীৱনৰ উচ্চ মানদণ্ড লাভৰ কাৰণেই যদি শিক্ষা হয় তেন্তে জীৱনৰ পৰিপূৰ্ণতা লাভ কৰিব পৰা শিক্ষা আহৰণ কৰিব লাগিব। সেই শিক্ষা আহৰণ কৰিবলৈ হলে শিক্ষা সমস্যাৰ লগত জড়িত হৈ থকা সমস্যা বিলাকৰ কথা ভালকৈ পৰ্য্যবেক্ষণ কৰিব লাগিব আৰু সমস্যা সমাধানৰ উপায় উলিয়াব লাগিব।

অতীততে ছাত্ৰই গুৰুগৃহত থাকি শিক্ষা আহৰণ কৰিছিল। বৰ্ত্তমান প্ৰগতিৰ যুগত গুৰুগৃহত শিক্ষা আহৰণ কৰাৰ কথা ভাবিবই নোৱাৰি। বৰ্ত্তমান ছাত্ৰ-ছাত্ৰীক শিক্ষা দিবলৈ এটি আটক ধুনীয়া ঘৰ, লাইব্ৰেৰী আদিৰ প্ৰয়োজন। কিন্তু বৰ্ত্তমান অৱস্থাত দেখা গৈছে কি? বহুতো শিক্ষানুষ্ঠানৰ অৱস্থা অতিশয় দুখলগা। নগৰ অঞ্চলৰ শিক্ষানুষ্ঠান বিলাকতকৈ গাওঁ অঞ্চলৰ শিক্ষানুষ্ঠান সমূহৰ অৱস্থা বেছি দুখলগা। প্ৰাথমিক স্কুলৰ কথা বাদ দিলেও সৰহভাগ চৰকাৰী সাহায্যপ্ৰাপ্ত স্কুলৰ অৱস্থা দুখলগা। বৰষুণ হলে পানীৰ কাৰণে পাঠদান কৰিব নোৱাৰি ছুটি দিবলগা হয়। গাঁৱলীয়া ঠাইত বাট-পথৰ অৱস্থা সুবিধাজনক নহয় বাবে বোকা পানীৰ কাৰণে বহু সময়ত ছাত্ৰ-ছাত্ৰী তথা শিক্ষকে শিক্ষানুষ্ঠানলৈ যোৱাৰ পৰা বঞ্চিত হব লগা হয়। তেনে এটা পৰিবেশত ছাত্ৰ-ছাত্ৰীয়ে কেনে ধৰণৰ শিক্ষা পাব পাৰে সি সহজেই অনুমেয়।

বৰ্ত্তমান শিক্ষানুষ্ঠান সমূহত এনে ধৰণৰ শিক্ষক নিয়োগ কৰা দেখা গৈছে যিজন শিক্ষকৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শিক্ষা পাব পাৰিব বুলি আশা কৰিব নোৱাৰি। কোনো এটা বিষয়ৰ ওপৰত শিক্ষকৰ সম্যক ধাৰণা নাথাকিলে ছাত্ৰ-ছাত্ৰীয়ে সেইজন শিক্ষকৰ পৰা কেনে ধৰণৰ শিক্ষা পাব তাক প্ৰতি চিন্তাশীল ব্যক্তিয়ে অনুমান কৰিব পাৰিব। গতিকে শিক্ষানুষ্ঠান সমূহত এনে ব্যক্তিক শিক্ষক ৰূপে নিয়োগ কৰিব লাগিব যাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ এটা সুন্দৰ ভৱিষ্যত আশা কৰিব পাৰ।

ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক মধুৰ নোহোৱাটোও এটি শিক্ষাৰ সমস্যা। প্ৰতিজন শিক্ষকেই ছাত্ৰক "পুত্ৰৱৎ" পালন কৰা উচিত। কিন্তু বৰ্ত্তমান শিক্ষানুষ্ঠান সমূহত দেখা যায় যে শ্ৰেণীৰ মেধাবী ছাত্ৰ-ছাত্ৰীক শিক্ষকে যিমান মৰম কৰে বা ভালপায় কম বুদ্ধিৰ ছাত্ৰ ছাত্ৰীক তেনেদৰে ভাল নাপায়। ফলস্বৰূপে কম বুদ্ধিৰ ছাত্ৰ-ছাত্ৰী চামৰ শিক্ষকৰ প্ৰতি মনোবৃত্তি বেলেগ হৈ যায়। যিদিনালৈকে শিক্ষক আৰু ছাত্ৰৰ মাজৰ গভীৰ সম্বন্ধটো

পিতা-পুত্ৰৰ দৰে নহয় সিদিনালৈকে শিক্ষা জগতত আশানুৰূপ উন্নতি লাভ কৰিব পাৰিব বুলি আশা কৰিব নোৱাৰি।

শিক্ষাৰ ক্ষেত্ৰত আটাইতকৈ বেছি সমস্যাৰ সৃষ্টি কৰিছে পৰীক্ষা পদ্ধতিৰ আসোঁৱাহ সমূহে। বৰ্ত্তমান পৰীক্ষা পদ্ধতি এনে হোৱা দেখা গৈছে যিটোৰ কাৰণে চিন্তাশীল ব্যক্তি সমূহে শিক্ষা বিভাগটোকেই দুৰ্নীতিযুক্ত বুলি কবলৈ প্ৰয়াস পাইছে। বৰ্ত্তমানৰ পৰীক্ষা পদ্ধতিয়ে শিক্ষাৰ মানদণ্ড নিম্নগামী কৰি তুলিছে। প্ৰতিটো বিষয়ৰ পৰীক্ষাতে ছাত্ৰ-ছাত্ৰীক নকল কৰা দেখা যায়। সেইবাবেই বৰ্ত্তমানৰ পৰীক্ষা পদ্ধতিয়ে প্ৰকৃত শিক্ষিতৰ হাৰ নিৰ্ণয় কৰিব পৰা নাই যেন অনুমান হয়। নকল কৰা কাৰ্য্যৰ বাবে অকল ছাত্ৰ-ছাত্ৰীক দোষাৰোপ কৰিব নোৱাৰি। বজাৰত দিনক দিনে সস্তীয়া বাজে নোটচৰ অবাধ প্ৰচলন হৈছে। এই নোট্চ সমূহ সস্তাতে কিনিবলৈ পাই ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ প্ৰতি মনোযোগ দিবলৈ এৰি দিছে। ফল স্বৰূপে দিনকদিনে ছাত্ৰ-ছাত্ৰীয়ে নোট্চ বুক ব্যৱহাৰ কৰি নকল কৰিবলৈ সুবিধা পাইছে। প্ৰকৃত মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে নকল কৰাৰ অৰ্থ কি ?

সমাজৰ ভূমিকাও ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ ক্ষেত্ৰত মন কৰিব লগীয়া। বৰ্ত্তমান সমাজত প্ৰচলিত ৰীতি-নীতিৰ প্ৰভাৱ ছাত্ৰ-ছাত্ৰীৰ ওপৰত নপৰাকৈ নাথাকে। বৰ্ত্তমান যুগৰ ছাত্ৰী-ছাত্ৰীৰ নৈতিক চৰিত্ৰৰ ওপৰত বহুতো সমালোচনা শুনা গৈছে। ইয়াৰ মূলতে হ'ল আমাৰ সমাজ ব্যৱস্থা। যিবিলাকে ছাত্ৰ-ছাত্ৰীৰ নৈতিক চৰিত্ৰৰ সমালোচনা কৰে সেই বিলাকৰ বহুতৰে নৈতিক চৰিত্ৰৰ অভাৱ। "Example is better than precept." "জুৱা খেলা গৰ্হিত" বুলি কৈ সেইজনেই যদি নিতৌ জুৱাৰ আড্ডাত বহি থাকে তেনেবিলাক আন্তৰিকতা বিহীন উপদেশৰ পৰা ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ মানদণ্ড উন্নত হোৱাৰ পৰিবৰ্ত্তে নিম্নগামী হোৱাৰহে সম্ভাৱনা বেছি। আমাৰ সমাজত এতিয়াও জাতি ভেদ প্ৰথা প্ৰচলিত। এখন শিক্ষানুষ্ঠানত নানান সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীয়ে শিক্ষা আহৰণ কৰে। সমাজে যদি উঠি অহা ছাত্ৰ-ছাত্ৰী সমূহৰ মনত সাম্প্ৰদায়িকতাৰ মনোভাৱ জগাই দিয়ে তেন্তে শিক্ষাৰ উদ্দেশ্যাই আধৰুৱা হৈ ৰব। গতিকে শিক্ষাৰ ক্ষেত্ৰত এনে এখন সমাজৰ প্ৰয়োজন হব য'ত জাতি বৰ্ণ নিৰ্ব্বিশেষে সকলোৱেই শিক্ষা আহৰণৰ সুবিধা পায়।

শিক্ষাৰ ক্ষেত্ৰত অভিভাৱকৰ যি দায়িত্ব সেই দায়িত্বৰ প্ৰতি বহুতো অভিভাৱকেই সচেতন নহয়। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠান সমূহত পোৱা শিক্ষায়েই যথেষ্ট নহয়। "ঘৰখনেই শিশুৰ শিক্ষাৰ আচল ঠাই।" গতিকে শিক্ষাৰ ক্ষেত্ৰত অভিভাৱকৰ দায়িত্ব অপৰিসীম। আমাৰ সমাজৰ প্ৰায়ভাগ মানুহৰে অৰ্থনৈতিক অৱস্থা দুখলগা। দুবেলা দুমুঠি খাবৰ বাবে মানুহে হাহাঁকাৰ কৰিব লাগিছে। তেনেস্থলত বহুতৰে ল'ৰা-ছোৱালীৰ শিক্ষাৰ প্ৰতি মনোযোগ দিবৰ সময়ৰে অভাৱ। সমাজৰ বহুতো লোকেই নিৰক্ষৰ, অশিক্ষিত। শিক্ষাৰ মোল বুজি নোপোৱা অভিভাৱকে নিজৰ লৰা-ছোৱালীক শিক্ষা দিবলৈ যোৱাৰ পৰিবৰ্ত্তে, অন্য কামত লগাবলৈহে চেষ্টা কৰিব। যিদিনালৈকে অভিভাৱক সকলে নিজে শিক্ষাৰ উদ্দেশ্য বুজি নাপায় সেইদিনালৈকে ল'ৰা ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত উন্নতিও নহব।

বৰ্ত্তমানৰ দৰে শিক্ষা ব্যৱস্থাত ঘনাই পাঠ্যক্ৰম সলনি কৰা যায় যদি ছাত্ৰ-ছাত্ৰীৰ অৱস্থা কেনে হব তাক এবাৰ ভাবি চাব লাগিব। আগতেই কৈ অহা হৈছে যে আমাৰ বহুতো অভিভাৱকৰে আৰ্থিক অৱস্থা দুখলগা। তেনে অৱস্থাৰ পৰিপেক্ষিতত প্ৰতি বছৰে নতুন পাঠ্যপুথি কিনাটো সম্ভৱপৰ নহয়। আনহাতেদি এই অৱস্থাত দেখা গৈছে যে প্ৰয়োজনীয় কিতাপ-পত্ৰ ছাত্ৰ ছাত্ৰীক যোগান ধৰিব পৰা নাই। কাজেই



ছাত্ৰ-ছাত্ৰীয়ে অসহায় অৱস্থাৰ সন্মুখীন হবলগা হৈছে। উদাহৰণ স্বৰূপে উচ্চ মাধ্যমিক স্কুলবোৰত পাঠ্যক্ৰম সলনি কৰিবৰ পৰা যি পাঠ্যক্ৰম প্ৰচলন কৰা হৈছিল সেই পাঠ্যক্ৰম সমূহৰ সম্পূৰ্ণ কিতাপ আজি পৰ্য্যন্ত প্ৰকাশন বিভাগে উলিয়াব পৰা নাই। এনেদৰে ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ ক্ষেত্ৰত বাধা আৰোপ কৰিলে আমি ছাত্ৰ-ছাত্ৰীবোৰে কৰিবলৈ জানো কিবা উপায় আছে ?

আজিৰ যি শিক্ষা ব্যৱস্থা সেই শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক ভবিষ্যতত কৰ্ম সংস্থান দিব নোৱাৰে। কাৰণ আজিৰ সমাজ দুৰ্নীতিৰ কৰাল গ্ৰাসত। আজিৰ যুগত ধনৰহে পূজা কৰে — গুণৰ নহয়। ধনৰ বলত বৰ্ত্তমান বহুতো অৰ্হতাহীন লোকে চাকৰি পোৱা দেখা গৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈয়েই জানো এজন মানুহ উচ্চ মাধ্যমিক স্কুলৰ শিক্ষকৰ বাবে উপযুক্ত হব পাৰে ? চকুৰ আগতে আমি এনেবিলাক দুনীৰ্তিযুক্ত কাৰ্য্য দেখিবলৈ পাইছোঁ। এয়াই আমাৰ শিক্ষা ব্যৱস্থা ! গতিকে ধনৰ অবিহনে শিক্ষা থাকিলেও যদি চাকৰি পোৱা নাযায় তেনে শিক্ষা আহৰণ কৰিয়েই বা লাভ কি ? সেইবাবে এনে শিক্ষা প্ৰদান কৰিব লাগিব যি শিক্ষাই ভৱিষ্যতত কৰ্মসংস্থান দিব পাৰিব, ছাত্ৰ-

ছাত্ৰীসকলক মানুহ হিচাবে জীয়াই থকাৰ পথ দেখুৱাই দিব।

মুঠতে আমাৰ শিক্ষাব্যৱস্থাটোৱেই আসোঁৱাহযুক্ত। কিয় ছাত্ৰ-ছাত্ৰীসকলে নকলৰ সহায় লবলগা হৈছে? শিক্ষক সকলৰ শিক্ষাব্ৰতী হোৱাৰ মনোভাৱক কিহে সলনি কৰি দিছে? কেনেকৈ পৰীক্ষা পদ্ধতি সমূহ আসোঁৱাহমুক্ত কৰিব পাৰি, কম দামত আৰু সহজে কেনেকৈ ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথিৰ যোগান ধৰিব পাৰি? এইবিলাক কথা পুঙ্খানুপুঙ্খৰূপে বিচাৰ কৰিব লাগিব সমাজহিতৈষী দেশপ্ৰেমিক শিক্ষাব্ৰতী লোক সকলে। তাকে নকৰি যদি শিক্ষাৰ নামত ভেকো-ভাওঁনা সদৃশ পৰীক্ষা পাতি ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ কম বেছি কৰি শিক্ষাক "শিক্ষা" নাম দিয়া হৈছে তেনে ইয়াৰ সমান অৰ্থহীন কথা আৰু একো নাই।

অৰ্হতাহীন শিক্ষক, পাঠ্যপুথি নোহোৱাকৈ শিক্ষা, নকল ভিত্তিত পৰীক্ষা কিযে মাৰাত্মক সমস্যা এইটো এটা ভাৱি চাবলগীয়া বিষয়।

সামৰণিত ইয়াকে কব বিচাৰিছো যে মই এগৰাকী কলেজীয়া ছাত্ৰীহে। এনেকুৱা বিষয়ৰ ওপৰত নিজৰ মতামত দি সমস্যা সমাধানৰ পথ দেখুৱাম বুলি প্ৰবন্ধ লিখিব খোজা নাই। কিন্তু ছাত্ৰী হিচাবে যি দেখিছো, যি অনুভৱ কৰিছো তাকেই মুকলি মূৰীয়াকৈ প্ৰকাশ কৰিছো। শিক্ষাৰ ক্ষেত্ৰত যে বহুতো সমস্যা আছে তাক অনুভৱ কৰিছো। কিন্তু মূল সমস্যা সমূহ যদি দূৰ কৰিব পৰা যায় তেন্তে শিক্ষাৰ ক্ষেত্ৰত থকা অন্যান্য সৰু-সুৰা সমস্যাসমূহ সহজেই আতঁৰ হব। এই সমস্যাসমূহ সমাধান কৰি শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ আমাক কোনেও সহায় নকৰিবনে?

---

# বিশ্বৰ এজন শ্ৰেষ্ঠ ভাস্কৰ আৰু চিত্ৰশিল্পী— মাইকেল এঞ্জেলো।

শ্ৰীসদা গগৈ।
প্ৰথম বাৰ্ষিক স্নাতক মহলা।

ইউৰোপৰ নৱজাগৰণৰ কালছোৱাত আবিৰ্ভাব হোৱা এজন মহান ভাস্কৰ আৰু চিত্ৰশিল্পী— মাইকেল এঞ্জেলো। ইউৰোপেই নহয় সমগ্ৰ বিশ্বৰ আন এজনা শ্ৰেষ্ঠ শিল্পী— লিওনাৰ্ডো ডা ভিন্সিৰ সমসাময়িক। এই দুজনা শিল্পী কেৱল তেওঁলোকৰ সময়ৰেই নহয়, কোনো এটা বিশেষ যুগৰো নহয়— এওঁলোক সৰ্ব্বকালৰ, সৰ্ব্ব সমাজৰ সৰ্ব্বশ্ৰেষ্ঠ শিল্পী। নৱজাগৰণৰ যুগতেই আবিৰ্ভাব হৈ বিশ্ব-শিল্পীৰ স্বীকৃতি লৈ আজিও তেওঁলোক অমৰ। তেওঁলোকৰ সৃষ্টিসমূহ আজিও বিশ্বৰ বিস্ময়। লিওনাৰ্ডো ডা ভিন্সিৰ "মনালিছা" আৰু এঞ্জেলোৰ 'ডেভিদ' মোজেচ, 'লাষ্ট জাজমেণ্ট'ৰ দৰে শিল্প সমূহ চেৰ পেলাবলৈ বিশ্বই আজিও এজন নতুন শিল্পীৰ জন্ম হোৱালৈ অধীৰ আগ্ৰহেৰে বাট চাব লগা হৈছে। বিশ্বৰ সৰ্ব্বজন প্ৰিয়, সৰ্ব্বশ্ৰেষ্ঠ শিল্পী, যি জন একেধাৰে শ্ৰেষ্ঠ ভাস্কৰ, শ্ৰেষ্ঠ চিত্ৰশিল্পী আনকি এজন প্ৰসিদ্ধ কবি হিচাবেও খ্যাত, মাইকেল এলেঞ্জোৰ ৫০০ বছৰীয়া জন্মতিথি এই বছৰ সমগ্ৰ বিশ্বই পালন কৰিছে। ৫০০ বছৰৰ পিছতো পৃথিৱীয়ে স্মৰণ কৰিছে পৃথিৱীৰ শ্ৰেষ্ঠ ভাস্কৰ আৰু চিত্ৰশিল্পী জনাক— তেওঁৰ অনুপম সৃষ্টি সমূহৰ মহিমা-মণ্ডিতাৰ কাৰণে— যিবোৰ আজিও বিশ্বৰ দৃষ্টিত পৰম বিস্ময়।

মজলীয়া ধৰণৰ গাঠলু চেহেৰাৰে এজন লোক মাইকেল এঞ্জেলো। শকত-আৱত। তেওঁ আছিল চিৰকুমাৰ। নাৰী বিদ্বেষী (?) তেওঁ। সেই হে তেওঁৰ কোনো এখন চিত্ৰ ভাস্কৰ্য্যত নাই কোনো নাৰী মূৰ্ত্তি। তেওঁৰ চিত্ৰ সমূহৰ বিষয় বস্তু পুৰুষ— যি পুৰুষে বিশ্বৰ সকলো কাৰ্য্য কৰিব পাৰে। তেওঁৰ 'ডেভিদ' 'লাষ্ট জাজমেণ্ট', 'মোজেচ' আদি পুৰুষ মূৰ্ত্তি। তেওঁৰ জীৱনৰ একমাত্ৰ সঙ্গী তেওঁৰ সৃষ্টি সমূহ। এইয়া মাইকেল এঞ্জেলো- পৃথিৱীৰ সৰ্ব্ব

শ্ৰেষ্ঠ ভাস্কৰ আৰু চিত্ৰশিল্পী। পৃথিৱীৰ ৫০০ বছৰীয়া অমৰ শিল্পী।

ইটালীৰ এখন সৰু চহৰ টাস্কেনী, মাইকেল এঞ্জেলোৰ জন্মস্থান। জন্ম এক অভিজাত পৰিয়ালত ১৪৭৫ চনৰ ৬ মাৰ্চত। সৰু কালতে মাকক হেৰুৱায়। পৃথিৱীৰ এই শ্ৰেষ্ঠ শিল্পীজনাই সৰু অৱস্থাৰে পৰাই চিত্ৰ আৰু ভাস্কৰ্য্য চৰ্চ্চাৰ প্ৰতি অদম্য হেঁপাহ পুহিছিল। বাপেকৰ বাধা নামানি এদিন ওলাই গল ঘৰৰ পৰা ভাস্কৰ্য্য আৰু চিত্ৰকলাৰ জ্ঞান অৰ্জ্জন কৰিবলৈ। গুৰু হিচাবে লাভ কৰিলে বিখ্যাত শিল্পী গাল্লাচিক। গুৰুৱে প্ৰথমে তেওঁক কিছুমান বিখ্যাত চিত্ৰ নকল কৰিবলৈ দিলে। কিন্তু গাল্লাচিৰ চিত্ৰশালাৰ শিক্ষাই তেওঁৰ মন বান্ধি ৰাখিব নোৱাৰাত তেওঁ গাল্লাচিৰ পৰা আতঁৰি আহিল। চিত্ৰ বিদ্যাতকৈ ভাস্কৰ্য্য বিদ্যাৰ প্ৰতি অধিক ধাউতি থকাৰ কাৰণে এই বিদ্যাত পাৰ্গতালি লভিবলৈ তেওঁ ফ্লোৰেন্সৰ শাসক লৰেঞ্জো দা মেদিছিৰ কাষ চাপে। মেডিচিৰ পৃষ্ঠপোষকতাত তেওঁ এইবাৰ লাভ কৰিলে বাটলডো গিয়াভান্নিৰ সান্নিধ্য। এঞ্জেলোৰ সুপ্ত প্ৰতিভা তেওঁৰ বিৰামহীন শ্ৰম আৰু গুৰু গিয়াভান্নিৰ শিক্ষাৰ ফলত জাগ্ৰত হৈ উঠিল। তাৰোপৰি ফ্লোৰেন্সৰ ৰাজপ্ৰসাদত থাকি বিভিন্ন বিষয়ৰ আলোচনাত নীৰৱ শ্ৰোতা হিচাবেই তেওঁৰ শূন্য জ্ঞান ভাণ্ডাৰ পূৰণ কৰিলে। ফ্লোৰেন্সৰ ৰাজপ্ৰসাদত থকাৰ কালছোৱাত তেওঁ ৰাজপ্ৰসাদৰ কোনো কাম কৰিবলৈ পোৱাৰ আগতেই ফ্ৰান্সে ফ্লোৰেন্স আক্ৰমন কৰাত তেওঁ ফ্লোৰেন্স ত্যাগ কৰে, কিন্তু অৰ্থাভাৱত পৰি পুনৰ এবছৰতে ফ্লোৰেন্সলৈ ঘূৰি আহে।

ফ্লোৰেন্সলৈ ঘূৰি আহি এঞ্জেলোৱে 'চেণ্টজন' নামৰ এটা মূৰ্ত্তি খোদিত কৰে। দুৰ্ভাগ্য এয়ে যে তেওঁৰ ডেকা বয়সৰ অনান্য সৃষ্টিৰ লগতে 'চেণ্টজন' নামৰ প্ৰস্তৰ খোদিত মূৰ্ত্তিটোও হেৰাই যায়। তাৰ পাছত তেওঁ ৰোমলৈ যায় আৰু কিউপিডৰ এটা দণ্ডায়মান মূৰ্ত্তি নিৰ্ম্মান কৰে। কিন্তু এই মূৰ্ত্তি আজিও বিশ্ববাসীৰ দৃষ্টিৰ পৰা আঁতৰি ৰল।

মাইকেল এঞ্জেলোৰ ডেকা বয়সৰ ৰচনা সমূহ হেৰাই গল সঁচা কিন্তু তেওঁৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিলে, তেওঁৰ অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিলে ১৪৯৯ চনত চেণ্ট পীটাৰ গীৰ্জাত প্ৰতিষ্ঠা কৰা বিশ্বৰ সুন্দৰতম মূৰ্ত্তি 'পায়েটাই'। কাৰ্ডিনেল জঁাদ্য ভিলিয়াৰ দালা গ্ৰেছলেৰ পৃষ্ঠ পোষকতাত তেওঁ কমিচন লৈ এই মূৰ্ত্তি খোদিত কৰিছিল।

১৫০১ চন ফ্লোৰেন্স পৰিবৰ্ত্তনৰ অগ্ৰগামী পথত। উন্নতিৰ শিখৰলৈ বুলি



ফ্লোৰেন্স লাহে লাহে বাট বুলিছে। সেই সময়তে মাইকেল এঞ্জেলো ফ্লোৰেন্সলৈ ঘূৰি আহে। আধুনিকতাৰ ৰ'দ কাচলিত প্ৰতিভাত হব বিচৰা ফ্লোৰেন্সত তেওঁ গীৰ্জাৰ কৰ্তৃপক্ষৰ লগত ডেভিদৰ এটা বিৰাটাকাৰ মাৰ্ব্বলৰ মূৰ্ত্তি নিৰ্ম্মানৰ কাৰণে চুক্তিবদ্ধ হয়। ১৫০১ চনৰ ১৩ চেপ্তেম্বৰ পৰা ১৫০৪ চনৰ ৮ চেপ্তেম্বৰত এই নিৰ্ম্মান কাৰ্য্য সমাধা কৰে। 'ডেভিদ' এটা বৃহৎ আকাৰৰ নগ্ন মূৰ্ত্তি। বিভিন্ন সমালোচক আৰু শিল্পী সকলে ইয়াৰ তাৎপৰ্য্য বিচাৰি ভিন্ ভিন্ ব্যাখ্যা দিছে। তেওঁ তেওঁৰ দেশৰ শত্ৰু গালিয়ামৰ আক্ৰমনৰ কাৰণে বাট চাইছে। বহুতে কয় মানবতাৰ প্ৰাচীন আদৰ্শৰ প্ৰতীক স্বৰূপ মাৰ্ব্বলৰ এক বৃহৎ মূৰ্ত্তি। সি যিয়েই নহওঁক এই কথা স্বীকাৰ কৰিবই লাগিব সেই সময়ৰ উন্নত ভাস্কৰ্য্য বিদ্যাৰ এটা চৰম নিদৰ্শন আৰু স্বাক্ষৰ বহন কৰিছে মাইকেলৰ দ্বাৰা খোদিত এই বৃহৎ মূৰ্ত্তি 'ডেভিদ'।

মাইকেল এঞ্জেলোক এখন ছবি আকিবলৈ দিয়া হ'ল ফ্লোৰেন্স শাসক পৰিষদ ভৱনৰ বেৰত থকা লিওনা-দো-দা ভিন্সিৰ অকা ছবিৰ লগতেই। এঞ্জেলোৱে বাচি ললে যুদ্ধৰ সময়ত ঘটা এটা ঘটনা। এই ছবি অকাৰ সময়ত ফ্লোৰেন্স আৰু পিছা যুদ্ধৰত — এই ছবিৰ যোগেদি তেওঁ দেশবাসীক মাতৃভূমি ৰক্ষাৰ কাৰণে আত্মবলিদান দিবলৈ শিক্ষা দিছিল। উল্লেখযোগ্য যে এই চিত্ৰই মাইকেল এঞ্জেলোক এজন যুগান্তকাৰী শিল্পী হিচাবে প্ৰতিষ্ঠা কৰিলে। তেওঁৰ চিত্ৰকলাৰ মাজত নবজাগৰণ যুগৰ শিল্পৰ মহত্তম আদৰ্শ প্ৰতিভাত হৈ উঠিল। অসাধাৰণ প্ৰতিভাৰ বলত মাইকেল এঞ্জেলো হৈ পৰিল ইটালীৰ সৰ্ব্বশ্ৰেষ্ঠ শিল্পী।

১৫০৫ চনত ৰোমৰ পোপ আছিল পোপ দ্বিতীয় জুলিয়াচ। তেওঁ ইটালীৰ শ্ৰেষ্ঠ শিল্পী জনাক সাদৰে নিমন্ত্ৰণ জনাই তেওঁৰ সমাধি মন্দিৰ নিৰ্ম্মান কাৰ্য্যত নিয়োগ কৰিলে। অতিশয় আনন্দিত হৈ এই কাৰ্য্যত হাত দিলে। কিন্তু অৱশেষত তেওঁ দেখা পালে যে পোপে তেওঁৰ কাৰ্য্যৰ প্ৰতি আগ্ৰহ কমাই দিছে। ১৫০৬ চনৰ ১৭ এপ্ৰিলত তেওঁ ঘোৰাত উঠি ৰোমৰ পৰা পলাই গল। পোপে অনুসৰণ কৰিলে যদিও ব্যৰ্থ হ'ল। ১৫০৩ চনত তেওঁ পোপৰ পৃষ্ঠপোষকতাত এটা কাম কৰিবলৈ সাত বছৰ সময় ললে। তেওঁ থিৰাং কৰিলে যে এই সাত বছৰত তেওঁ অন্য কামত হাত নিদিয়ে। এই কালছোৱাত তেওঁ 'মোজেচ' আৰু 'স্লেভ' মূৰ্ত্তি নিৰ্ম্মান কাৰ্য্য সমাপন কৰিলে। মাইকেল এঞ্জেলোৰ

'মোজেচ' মূৰ্ত্তিৰ ওপৰত ভিত্তি কৰি ভাৰ্চাৰিয়ে কৈছে যে মোজেছৰ মূৰ্ত্তি যেতিয়া নিৰ্ম্মান হ'ল তেতিয়া আৰু কোনো প্ৰাচীন বা আধুনিক মূৰ্ত্তি নাই যি মোজেচ'ৰ সমকক্ষ হব। কুৰিশতিকালৈকে মোজেছ বিশ্বৰ বিখ্যাত মূৰ্ত্তি।

১৫৩৩ চনত মাইকেল এঞ্জেলোৱে ৰোমত জুলিয়াচ মনুমেণ্টৰ আধৰুৱা কাম সমাপ্ত কৰিবলৈ আৰম্ভ কৰে। পোপে ক্লিমেণ্টৰ চিষ্টিন চেপলৰ বেদীৰ পিছফালৰ বেৰত এখন চিত্ৰ আঁকি চিত্ৰাঙ্কন কাৰ্য্য সমাপ্ত কৰিবলৈ অনুৰুধ জনায়। এঞ্জেলো সম্মত হ'ল। এই ছবিৰ বিষয় বস্তু তেওঁ ঠিক কৰিলে 'লাষ্টজাজমেণ্ট'। ১৫৩. চনত এই চিত্ৰৰ কাৰ্য্য সমাপ্ত কৰে। এইখনেই ৰোমৰ বিখ্যাত চিত্ৰ যি চিত্ৰই পোপক বাধ্য কৰাইছিল ভগৱানক প্ৰাৰ্থনা কৰিবলৈ যাতে মৃত্যুৰ পিছত তেওঁৰ বিপৰীতে কোনো অভিযোগ অনা নহয়।

মাইকেল এঞ্জেলোৱে নিজৰ সমাধি মন্দিৰ 'ফাৰেণ্টাইন পায়েটা' নিৰ্ম্মান কাৰ্য্য আৰম্ভ কৰিলে। ১৩ বছৰ বয়সৰ পৰা ৬৩ বছৰ বয়সলৈ একেৰাহে তেওঁ কেৱল চিত্ৰ আৰু ভাস্কৰ্য্য বিদ্যাৰ কাম কৰি থকাত এদিন হঠাতে তেওঁৰ আধৰুৱা কামবোৰ ভাঙি শেষ কৰি দিলে। ইয়াৰ কাৰণ হয়তো তেওঁৰ ধৈৰ্য্যচ্যুতি ঘটিল।

লাহে লাহে তেওঁৰ জীৱনলৈ বাৰ্দ্ধক্যৰ চাপ আহি পৰিল। ধৰ্ম্মৰ প্ৰভাবে তেওঁক ধৰ্ম্ম মুখী হবলৈ বাধ্য কৰালে। তেওঁৰ ৬৩ বছৰ বয়সত লগ পায় ভিক্টোৰিয়া কলোনক। ধৰ্ম্মৰ এনাজৰীয়ে দুয়োৰে মাজত বন্ধুত্ব গঢ়ি তোলে। মাইকেল এঞ্জেলোৰ বহুতো কবিতা আৰু ধৰ্ম্মীয় চিত্ৰ এই মহিলাৰ নামত উচৰ্গা কৰি থৈ গৈছে। ১৫৬৪ চনৰ ১২ ফেব্ৰুৱাৰীলৈকে তেওঁ এটা পায়েণ্টাৰ কামত মগ্ন আছিল। কেইদিনমানৰ পিছতে তেওঁ অসুস্থ হৈ পৰিল। ১৫৬৪ চনৰ ১৮ ফেব্ৰুৱাৰীত বহুতো গুণী চিকিৎসকক পৰাজিত কৰি বহু বন্ধু-বান্ধৱক আৰু তেওঁ অপৰীসীম পৰিশ্ৰমেৰে গঢ় দিয়া নিসঙ্গতাৰ সঙ্গী স্বৰূপ, চিত্ৰ শিল্প আৰু ভাস্কৰ্য্য বিদ্যাৰ চৰম নিদৰ্শন সমূহক বিশ্ববাসীলৈ এৰি চিৰদিনৰ কাৰণে তেওঁ কোনো এক অনন্ত ধামলৈ গতি কৰিলে।

এজন শ্ৰেষ্ঠ ভাস্কৰ আৰু এজন শ্ৰেষ্ঠ শিল্পী মাইকেল এঞ্জেলো। সমগ্ৰ বিশ্বই তেওঁৰ ৫০০ বছৰীয়া জন্ম দিন পালন কৰি ৰেনেচাঁচ যুগৰ শ্ৰেষ্ঠ শিল্পী জনক সোঁৱৰণ কৰিছে। তেওঁৰ সৰ্ব্বশ্ৰেষ্ঠ সৃষ্টি সমূহৰ বেচি ভাগেই হেৰাল। তথাপিতো যি বাকী আছে সেয়েই শিল্পী ভাস্কৰ জনাক সৰ্ব্বকালৰ শ্ৰেষ্ঠ ভাস্কৰ আৰু শিল্পীৰ মৰ্য্যদা প্ৰদান



কৰিছে। এলেঞ্জোৰ শিল্প প্ৰতিভাৰ বহল পৰিচয় হয়তো এই প্ৰবন্ধই দাঙি ধৰিব পৰা নাই। তাকে কৰিবলৈ তথ্য পাতিৰ অভাৱ। যি সীমিত তথ্য পাতিকে লৈ এই প্ৰবন্ধ যুগুত কৰা হৈছে সি পাঠকক কিমান আমোদ দিব পাৰে সেইয়া কব নোৱাৰো। কিন্তু এই বিখ্যাত শিল্পী ভাস্কৰ গৰাকীৰ এটা সীমিত পৰিচয় পাঠকে পাব পাৰিব বুলি ভাবো। বিশ্বৰ শ্ৰেষ্ঠ শিল্পী আৰু শ্ৰেষ্ঠ ভাস্কৰ, ইটালীৰ নবজাগৰণ যুগৰ এগৰাকী প্ৰবৰ্ত্তক মাইকেল এঞ্জেলোৰ ৫০০ বছৰীয়া জন্মদিনত আমি হিয়াৰ শ্ৰদ্ধাঞ্জলী জনালোঁ।—"হে শিল্পী, হে ভাস্কৰ, তোমাৰ কীৰ্ত্তিৰ চেয়ে তুমি যে মহৎ।"

---

(মাইকেল এঞ্জেলোৰ ওপৰত প্ৰকাশিত বিভিন্ন প্ৰবন্ধৰ সহায়ত লিখা হৈছে।)

# নিতাইপুখুৰী আৰু আমাৰ মহাবিদ্যালয়ঃ
## এটি চমু পৰিচিতি

—অধ্যাপক ডম্বৰুধৰ নেওগ

### নিতাইপুখুৰীঃ চমু পৰিচয়ঃ—

আহোম স্বৰ্গদেউ সকলৰ দিনৰ ইতিহাস বুকুৰ মাজত লৈ সেই সময়ত এখন গুৰুত্বপূৰ্ণ ঠাই হিচাবে পৰিগণিত হোৱা নিতাইপুখুৰী বৰ্ত্তমান এখন অৱহেলিত অনুন্নত অঞ্চল। স্বাধীনতা লাভ কৰাৰ কুৰিবছৰৰ পিছতো কেবাটাও বছৰ পাৰ হৈ গ'ল, তথাপিও ই বৰ্ত্তমানেও অৱহেলিত হৈয়েই থাকিল। বৃহৎ উদ্যোগ আদিৰ কথাই নকওঁ আনকি মানৱজগতৰ অত্যাৱশ্যকীয় কেইটামান সেৱাৰ পৰাও (উদাহৰণ স্বৰূপে চিকিৎসালয়) এই অঞ্চলটি বৰ্ত্তমানেও বঞ্চিত হৈয়েই আছে। কিন্তু স্বৰ্গদেউ সকলৰ ৰাজত্বৰ

সময়ৰ সেই সুদূৰ অতীতত অঞ্চলটিয়ে অতি গুৰুত্বপূৰ্ণ ঠাই হিচাবে স্বৰ্গদেউ সকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিছিল। নিতাই-পুখুৰী আৰু ইয়াৰ ওচৰে পাজৰে থকা অনান্য ঠাই, পুখুৰী, আলি, পতুলী আদিৰ নামৰ পৰাই আহোম যুগৰ এই অঞ্চলটিয়ে এখন অতি গুৰুত্বপূৰ্ণ ঠাই হিচাবে পৰিগণিত হৈছিল বুলি অতি সহজেই অনুমান কৰিব পাৰি।

আহোম স্বৰ্গদেউৰ বিষয়া নিতাই বৰুৱাই খন্দা বৃহৎ পুখুৰীটোৰ নাম অনুসৰিয়েই এই অঞ্চল তথা মৌজাৰ নাম হয় নিতাইপুখুৰী। ইয়াৰ কাষেৰে যোৱা নিতাইপুখুৰীৰ পৰা ৰজাবাৰীলৈ ভীমবৰ আলি, মাজেদি বৰবৰুৱা আলি, পূবে আহোম ৰজাৰ দিনৰ বৰফুকন আলি আৰু ডিমৌ নৈ; উত্তৰে দিহিং নৈ, পশ্চিমে মহাবাহু ব্ৰহ্মপুত্ৰ নৈ আৰু দক্ষিণৰ মহাৰাণী ৰিজাৰ্ভৰ মাজতে এই নিতাইপুখুৰা অঞ্চল অৱস্থিত। প্ৰাচীন কালৰ ঐতিহাসিক সামগ্ৰীৰ বাবে বিশেষত্বপূৰ্ণ এই নিতাইপুখুৰী মৌজাটি শিৱসাগৰ জিলাৰ এখন অতি প্ৰাচীন ঠাই যদিও বৰ্ত্তমানৰ অনুন্নত অৱস্থাই ইয়াৰ অতীত গৌৰৱ ম্লান কৰিছে। নিতাইপুখুৰীৰ প্ৰাণ কেন্দ্ৰত ৰজাদিনীয়া নিতাইপুখুৰীৰ উপৰিও ইয়াৰ উত্তৰে গজপুৰীয়া নামৰ অন্য এটি ৰজাদিনীয়া পুখুৰীও আছে। পূবে শেনছোৱা পুখুৰী আৰু শেনছোৱা আলি, বাপুটি গড়, মৰীয়া আলি; পশ্চিমে ৰজাবাৰী, কহুৱাবাৰী আৰু দক্ষিণে শুকান পুখুৰী আদি আহোম ৰজা সকলৰ দিনৰ আলি পতুলীয়ে এই অঞ্চলটিক বৈশিষ্টপূৰ্ণ কৰি তুলিছে।

কিন্তু নিতাইপুথুৰীৰ অতীত ইতিহাস সুঁৱৰি আত্মতৃপ্তি আৰু আনন্দ পাব পাৰি যদিও প্ৰাক্ স্বাধীনতাৰ কাল-ছোৱাত হাবি-বননিয়ে সমগ্ৰ অঞ্চলটিকেই আৱৰি ৰখাৰ উপৰিও শিক্ষানুস্থানবিহীন এই অঞ্চল সকলো পিনৰ পৰাই আছিল অন্ধকাৰাচ্ছন্ন। ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগে লগেহে নিতাইপুখুৰীৰ সচেতন ব্যক্তিসকলৰ মনত শিক্ষা সংস্কৃতিৰ প্লাৱনেৰে অঞ্চলটো প্লাৱিত কৰাৰ ভাবে গা' কৰি উঠে। জনগণৰ মনত থিতাপি লোৱা এই সচেতনতাৰ কাৰণেই নিতাই পুখুৰীত এখন এখনকৈ কেইবাখনো শিক্ষানুষ্ঠান গঢ় লৈ উঠে। বৰ্ত্তমান নিতাই-পুখুৰীৰ কাষৰে পাজৰে ৮০ খনতকৈ অধিক প্ৰাথমিক বিদ্যালয়ৰ উপৰিও এখন চৰকাৰী সাহায্যপ্ৰাপ্ত সহশিক্ষাৰ উচ্চ ইংৰাজী বিদ্যালয়, এখন সাহায্য প্ৰাপ্ত ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়, এখন উচ্চ বুনিয়াদী স্কুল আৰু অন্য এখন উচ্চ শিক্ষানুষ্ঠান কলেজিয়েট



হাইস্কুল অৱস্থিত। তদুপৰি ১৯৬৫ চনৰ শিক্ষাবছৰত স্থাপিত 'নিতাইপুখুৰী মহা-বিদ্যালয়'ৰ যোগেদি উচ্চ শিক্ষা তথা প্ৰসাৰতাক আগবঢ়াই নিয়াৰ সুযোগ মিলিল। ১৯৭০ চনত আউনিআটী সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱগোস্বামী প্ৰভুৰ বদান্যতাৰ ফলত নিজা মাটিত নিজা স্থায়ী ঘৰদুৱাৰ লাভ কৰিলে আৰু তেতিয়াৰ পৰাই নিতাইপুখুৰী মহা-বিদ্যালয় "আউনিআটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়" নামেৰে সত্ৰাধিকাৰ জনাৰ মহানুভৱতাৰ কথা ঘোষণা কৰিছে। নিতাই-পুখুৰীত গঢ়ি উঠা শিক্ষানুষ্ঠানৰ উপৰিও ইয়াৰ চাৰিওফালে গঢ়ৈল উঠা শিক্ষানুষ্ঠান সমূহে এই অঞ্চলৰ শিক্ষাৰ প্ৰগতিৰ কথাকে সূচায়। নিতাইপুখুৰীৰ পৰা ছয় মাইলৰ ভিতৰত গঢ়ি উঠা শিক্ষানুষ্ঠান সমূহ যেনে— পূবত ধেমেচী উচ্চ ইংৰাজী বিদ্যালয়, শেনছোৱা পুখুৰী উচ্চ ইংৰাজী বিদ্যালয়, উত্তৰে চেচুঘাট উচ্চ ইংৰাজী বিদ্যালয়, কলাখোৱা উচ্চ ইংৰাজী বিদ্যালয়; দিহিংমুখ উচ্চ ইংৰাজী বিদ্যালয়, পশ্চিমে কটিয়ৰী উচ্চ ইংৰাজী বিদ্যালয়, দিহিংমুখ উচ্চ ইংৰাজী বিদ্যালয় উত্তৰে ডিমৌ উচ্চ ইংৰাজী বিদ্যালয়, নিতাইপুখুৰী সংস্কৃত টোল আদিয়ে শিক্ষাৰ ক্ষেত্ৰত অঞ্চলটিত হোৱা প্ৰগতিৰ কথাকে কয়। নিতাইপুখুৰী মজলীয়া স্কুল, দিহিঙ্গীয়া গাওঁ মজলীয়া স্কুল, দোপনি মজলীয়া স্কুল, পানীদিহিং মজলীয়া স্কুল, জয়মতী মজলীয়া স্কুল আদিও নিতাইপুখুৰীৰ শিক্ষা প্ৰচাৰৰ অন্যান্য অনুষ্ঠান। তদুপৰি নিতাইপুখুৰী সংস্কৃতি সংঘ, সাহিত্য সেৱী তথা সাহিত্যানুৰাগী তথা সংস্কৃতি সচেতন ৰাইজৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ।

শিক্ষানুষ্ঠান সমূহৰ অৱস্থিতিৰ কাৰণেই এই অঞ্চলৰ এচাম মেধা প্ৰতিভাবান ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰে শিক্ষিত হৈ নিজ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সুযোগ লাভ কৰিছে। উচ্চ পদ মৰ্যাদা লাভ কৰি নিজৰ লগতে অঞ্চলটিৰো গৌৰৱ বঢ়াই আহিছে। এই অঞ্চলৰ এজন শ্ৰদ্ধেয় ব্যক্তি ৺ভীমবৰ দেউৰীয়ে বৃটিছৰ দিনত গড়কাপ্তানি বিভাগৰ মন্ত্ৰীত্ব পদ লাভ কৰিছিল।

## মহাবিদ্যালয়টি :

এই অঞ্চলৰ ৰাইজ কৃষিগত হোৱাৰ হেতুকে আৰু অৰ্থনৈতিক অনুন্নত অৱস্থাৰ কাৰণেও বহুতো প্ৰতিভাবান মেধা ছাত্ৰ-ছাত্ৰীয়ে হাবিলাস কৰা স্বত্বেও উচ্চশিক্ষাৰ আশা অন্তৰতেই মাৰ নিয়াব লগাত পৰিছিল। এই কথা বিবেচনা কৰি এই অঞ্চলৰ এচাম স্বাৰ্থত্যাগী শিক্ষানুৰাগী

ব্যক্তিয়ে কষ্ট আৰু ত্যাগৰ বিনিময়ত গঢ় দিলে নিতাইপুখুৰী কলেজখন। সেইয়া ১৯৬৫ চনৰ কথা। ১৯৭০ চনত আউনিআটীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেম চন্দ্ৰ দেৱ গোস্বামী দেৱে কলেজৰ নিজা মাটিত স্থায়ী ঘৰদুৱাৰ সাজি দিয়াৰ দায়িত্ব লৈ মহানুভৱতাৰ পৰিচয় দিয়াৰ বিনিময়ত সময়ত কলেজৰ নিজা মাটিত স্থায়ী ঘৰদুৱাৰ গঢ়ি উঠিল। সত্ৰাধিকাৰ জনাৰ বদান্যতাৰ শলাগ লৈ ৰাইজে অনুষ্ঠানটিৰ নাম ৰাখিলে আউনি আটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ গোস্বামী মহাবিদ্যালয়।

বৰ্ত্তমান ৩০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে ত্যাগী আৰু সুদক্ষ অধ্যাপক-অধ্যাপিকাৰ তলত শিক্ষালাভ কৰি আছে। বছৰি বছৰি এই মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি আহিছে। পঢ়াশুনাৰ উপৰিও খেলাধুলাতো ইয়াৰ ছাত্ৰ-ছাত্ৰী সকল আগবাঢ়িছে। চৰকাৰৰ অৰ্থনৈতিক সাহায্যৰ উপৰিও সহৃদয় শিক্ষাপ্ৰেমী ৰাইজৰ দান-বৰঙনিৰ আৰু মৰমৰ কাৰণে অনুষ্ঠানটি দোপত্ত দোপে আগুৱাই আহিছে। বছৰি বছৰি ছাত্ৰ-ছাত্ৰীসকল উত্তীৰ্ণ হৈ প্ৰতিভাৰ কৰ্মক্ষেত্ৰত জপিয়াই পৰিছে। উত্তীৰ্ণ হোৱা এচাম ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰিছে। শিক্ষাৰ লগে লগে ক্ৰীড়া ক্ষেত্ৰত ৰাজ্য আৰু আন্তঃৰাজ্য পৰ্য্যায়ত যিদৰে ইয়াৰ ছাত্ৰ সকলে প্ৰতিভা দেখুৱাইছে সেইয়া সঁচাকৈয়েই অনুপ্ৰেৰণাদায়ক। অধ্যাপক অধ্যাপিকা সকলৰ সক্ৰিয় সহায় সহযোগিতাৰ ফলত ক্ৰীড়া-সাহিত্য সংস্কৃতি সকলো দিশতে শিক্ষানুষ্ঠানটিত উন্নত বাতাবৰণৰ সৃষ্টি হৈছে। ১৯৭৩ চনৰ পৰা ১৯৭৫ চনলৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত 'শ্ৰেষ্ঠ থ্ৰুৱাৰ'ৰ সন্মান লাভ কৰাৰ উপৰিও শ্ৰীলক্ষী বড়ীয়ে ভাৰতৰ জাতীয় ক্ৰীড়া প্ৰতিযোগিতাত অসমৰ প্ৰতিনিধিত্ব কৰি ১৯৭৪ আৰু ১৯৭৫ চনৰ 'চটপুট'ত ৩য় স্থান লাভ কৰিছিল। ১৯৭৪ চনৰ সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়াত শ্ৰীচিৰঞ্জীৱ বৰগোহাঁয়ে 'জেভেলিন থ্ৰু'ত প্ৰথম হৈ গৌৰৱ বঢ়াইছিল। ১৯৭৫ চনত যোৰহাটত হোৱা সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়াত শ্ৰীহেমন্ত গগৈয়ে দুটা চুটি দৈৰ্ঘ্যৰ দৌৰত ২য় স্থান লাভ কৰি নিজ প্ৰতিভাৰ পৰিচয় দিছিল। উপযুক্ত প্ৰশিক্ষণ আৰু সুযোগ পালে ইয়াৰ ছাত্ৰ ছাত্ৰীয়ে আৰু উন্নত ক্ৰীড়া কৌশল প্ৰদৰ্শণ কৰিব পাৰিব—সন্দেহ নাই।

বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ৰ অতি আৱশ্যকীয় দুটা বস্তু হৈছে এটা পূৰ্ণাঙ্গ পুথিভঁৰাল আৰু এখন উপযুক্ত খেল পথাৰ। এই দুটাৰ অবিহনেও যেনেকৈ অধ্যয়ণ আৰু ক্ৰীড়া দুয়ো দিশতে প্ৰতিভাৰ পৰিচয় ফুটি উঠিছে সেইকিটাৰ বৰ্ত্তমানে মহাপ্ৰতিভাৰ স্ফুৰণ আৱশ্যম্ভাৱী। আশা ৰাখিছোঁ। মহাবিদ্যালয় কৰ্ত্তৃপক্ষই এই অভাৱকিটা অতি সোনকালে পূৰণ কৰি ছাত্ৰছাত্ৰী সকলক প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ দিব।



---

## শিক্ষানুষ্ঠান—শিক্ষাৰ্থী----শিক্ষক আৰু সামাজিক দায়বদ্ধতা

—প্ৰহ্লাদ কুমাৰ বৰুৱা

শিক্ষাই মানুহক কোনোবা প্ৰাচীন কালতে পশুৰ পৰা আতঁৰাই আনি জীৱশ্ৰেষ্ঠৰূপে নিজকে ভাবিবলৈ শিকালে আৰু তাৰ ফলতেই মানুহে নিজকে ব্যক্তিকেন্দ্ৰিকতাৰ পৰা ক্ৰমশঃ মুক্ত কৰি অধিক সামাজিক হবলৈ শিকি আহি আহিছে। এনে সামাজিক চেতনাৰ জাগৰণ, গভীৰ উপলব্ধি আৰু সম্প্ৰসাৰণৰ বাবেই যুগে যুগে শিক্ষা প্ৰসাৰৰ ওপৰত গুৰুত্ব ক্ৰমশঃ বৃদ্ধি পাই আহিছে। সেয়ে বৰ্ত্তমানে দেশৰ বিভিন্ন ঠাইত, নগৰ-চহৰ আৰু গাৱঁৰ চুকে-কোণে অত্যাধিক শিক্ষানুষ্ঠান গঢ়ি উঠিছে। এইয়া মানুহে নিজকে অধিক সভ্য কৰাৰ, উন্নত কৰাৰ আৰু মানুহৰ সামাজিক চেতনাক অধিক গভীৰ আৰু সম্প্ৰসাৰিত কৰাৰ প্ৰচেষ্টা।

কিন্তু গভীৰ বিশ্লেষণ-চেতনামূলক অনুশীলনৰ অভাৱত যুগৰ সামাজিক সংগঠনধৰ্মী একোটা কাৰ্য্যই গতানুগতিকতাৰ ৰূপ লয় আৰু তাৰ ফলতে এনে সৃষ্টিশীল কাৰ্য্যয়ো সময়ত যথাৰ্থ মূল্য হেৰুৱায়। সেয়ে সাম্প্ৰতিক শিক্ষা আৰু শিক্ষানুষ্ঠানৰ পবিত্ৰতা আৰু সামা-

ব্যক্তিয়ে কষ্ট আৰু ত্যাগৰ বিনিময়ত গঢ় দিলে নিতাইপুখুৰী কলেজখন। সেইয়া ১৯৬৫ চনৰ কথা। ১৯৭০ চনত আউনিআটীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেম চন্দ্ৰ দেৱ গোস্বামী দেৱে কলেজৰ নিজা মাটিত স্থায়ী ঘৰদুৱাৰ সাজি দিয়াৰ দায়িত্ব লৈ মহানুভৱতাৰ পৰিচয় দিয়াৰ বিনিময়ত সময়ত কলেজৰ নিজা মাটিত স্থায়ী ঘৰদুৱাৰ গঢ়ি উঠিল। সত্ৰাধিকাৰ জনাৰ বদান্যতাৰ শলাগ লৈ ৰাইজে অনুষ্ঠানটিৰ নাম ৰাখিলে আউনি আটীয় সত্ৰাধিকাৰ শ্ৰীশ্ৰীহেমচন্দ্ৰ গোস্বামী মহাবিদ্যালয়।

বৰ্ত্তমান ৩০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে ত্যাগী আৰু সুদক্ষ অধ্যাপক-অধ্যাপিকাৰ তলত শিক্ষালাভ কৰি আছে। বছৰি বছৰি এই মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়ি আহিছে। পঢ়াশুনাৰ উপৰিও খেলাধুলাতো ইয়াৰ ছাত্ৰ-ছাত্ৰী সকল আগবাঢ়িছে। চৰকাৰৰ অৰ্থনৈতিক সাহায্যৰ উপৰিও সহৃদয় শিক্ষাপ্ৰেমী ৰাইজৰ দান-বৰঙনিৰ আৰু মৰমৰ কাৰণে অনুষ্ঠানটি দোপত দোপে আগুৱাই আহিছে। বছৰি বছৰি ছাত্ৰ-ছাত্ৰীসকল উত্তীৰ্ণ হৈ প্ৰতিভাৰ কৰ্মক্ষেত্ৰত জপিয়াই পৰিছে। উত্তীৰ্ণ হোৱা এচাম ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ত শিক্ষা লাভ কৰিছে। শিক্ষাৰ লগে লগে ক্ৰীড়া ক্ষেত্ৰত ৰাজ্য আৰু আন্তঃৰাজ্য পৰ্য্যায়ত যিদৰে ইয়াৰ ছাত্ৰ সকলে প্ৰতিভা দেখুৱাইছে সেইয়া সঁচাকৈয়েই অনুপ্ৰেৰণাদায়ক। অধ্যাপক অধ্যাপিকা সকলৰ সক্ৰিয় সহায় সহযোগিতাৰ ফলত ক্ৰীড়া-সাহিত্য সংস্কৃতি সকলো দিশতে শিক্ষানুষ্ঠানটিত উন্নত বাতাবৰণৰ সৃষ্টি হৈছে। ১৯৭৩ চনৰ পৰা ১৯৭৫ চনলৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় ক্ৰীড়া প্ৰতিযোগিতাত 'শ্ৰেষ্ঠ থ্ৰৱাৰ'ৰ সন্মান লাভ কৰাৰ উপৰিও শ্ৰীলক্ষী বড়ীয়ে ভাৰতৰ জাতীয় ক্ৰীড়া প্ৰতিযোগিতাত অসমৰ প্ৰতিনিধিত্ব কৰি ১৯৭৪ আৰু ১৯৭৫ চনৰ 'চটপুট'ত ৩য় স্থান লাভ কৰিছিল। ১৯৭৪ চনৰ সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়াত শ্ৰীচিৰঞ্জীৱ বৰগোহাঁয়ে 'জেভেলিন থ্ৰ'ত প্ৰথম হৈ গৌৰৱ বঢ়াইছিল। ১৯৭৫ চনত যোৰহাটত হোৱা সৰ্বভাৰতীয় গ্ৰাম্য ক্ৰীড়াত শ্ৰীহেমন্ত গগৈয়ে দুটা চুটি দৈৰ্ঘ্যৰ দৌৰত ২য় স্থান লাভ কৰি নিজ প্ৰতিভাৰ পৰিচয় দিছিল। উপযুক্ত প্ৰশিক্ষণ আৰু সুযোগ পালে ইয়াৰ ছাত্ৰ ছাত্ৰীয়ে আৰু উন্নত ক্ৰীড়া কৌশল প্ৰদৰ্শণ কৰিব পাৰিব—সন্দেহ নাই।

বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ৰ অতি আৱশ্যকীয় দুটা বস্তু হৈছে এটা পূৰ্ণাঙ্গ পুথিভঁৰাল আৰু এখন উপযুক্ত খেল পথাৰ। এই দুটাৰ অবিহনেও যেনেকৈ অধ্যয়ণ আৰু ক্ৰীড়া দুয়ো দিশতে প্ৰতিভাৰ পৰিচয় ফুটি উঠিছে সেইকিটাৰ বৰ্ত্তমানে মহাপ্ৰতিভাৰ স্ফুৰণ আৱশ্যম্ভাৱী। আশা ৰাখিছোঁ। মহাবিদ্যালয় কৰ্তৃপক্ষই এই অভাৱকিটা অতি সোনকালে পূৰণ কৰি ছাত্ৰছাত্ৰী সকলক প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ দিব।



## শিক্ষানুষ্ঠান—শিক্ষাৰ্থী----শিক্ষক আৰু সামাজিক দায়বদ্ধতা

—প্ৰহ্লাদ কুমাৰ বৰুৱা

শিক্ষাই মানুহক কোনোবা প্ৰাচীন কালতে পশুৰ পৰা আতঁৰাই আনি জীৱশ্ৰেষ্ঠৰূপে নিজকে ভাবিবলৈ শিকালে আৰু তাৰ ফলতেই মানুহে নিজকে ব্যক্তিকেন্দ্ৰিকতাৰ পৰা ক্ৰমশঃ মুক্ত কৰি অধিক সামাজিক হবলৈ শিকি আহি আহিছে। এনে সামাজিক চেতনাৰ জাগৰণ, গভীৰ উপলব্ধি আৰু সম্প্ৰসাৰণৰ বাবেই যুগে যুগে শিক্ষা প্ৰসাৰৰ ওপৰত গুৰুত্ব ক্ৰমশঃ বৃদ্ধি পাই আহিছে। সেয়ে বৰ্ত্তমানে দেশৰ বিভিন্ন ঠাইত, নগৰ-চহৰ আৰু গাৱঁৰ চুকে-কোণে অত্যাধিক শিক্ষানুষ্ঠান গঢ়ি উঠিছে। এইয়া মানুহে নিজকে অধিক সভ্য কৰাৰ, উন্নত কৰাৰ আৰু মানুহৰ সামাজিক চেতনাক অধিক গভীৰ আৰু সম্প্ৰসাৰিত কৰাৰ প্ৰচেষ্টা।

কিন্তু গভীৰ বিশ্লেষণ-চেতনামূলক অনুশীলনৰ অভাৱত যুগৰ সামাজিক সংগঠনধৰ্মী একোটা কাৰ্য্যই গতানুগতিকতাৰ ৰূপ লয় আৰু তাৰ ফলতে এনে সৃষ্টিশীল কাৰ্য্যয়ো সময়ত যথাৰ্থ মূল্য হেৰুৱায়। সেয়ে সাম্প্ৰতিক শিক্ষা আৰু শিক্ষানুষ্ঠানৰ পবিত্ৰতা আৰু সামা-

জিক মূল্য হ্রাস পাই আহিছে। যথাৰ্থতে শিক্ষানুষ্ঠানত শিক্ষাৰ্থীক শিক্ষা প্ৰদান কৰা হয়; যি শিক্ষাই ব্যক্তিৰ অপ্ৰকাশিত মৌলিক প্ৰতিভাক বিকাশ কৰে; যি প্ৰতিভা ব্যাপকভাৱে সামাজিক প্ৰগতিৰ মূল আহিলা। গতিকে শিক্ষানুষ্ঠান কেৱল জীৱন গঢ়াৰ আহিলা বা স্থলেই নহয়; ই নিজেই এটা জীৱন; ই সমাজ জীৱন—ই সমাজৰ সত্বা। John Dewey এ "Democracy and Education" নামৰ গ্ৰন্থত কৈছে—"The School is not preparation for life; it is life itself." উন্নত, সভ্য আৰু প্ৰগতিশীল সমাজৰ জীৱন স্বৰূপ শিক্ষানুষ্ঠানে শিক্ষাৰ্থীৰ ব্যক্তিত্ব গঢ় দিয়ে। এই ব্যক্তিত্বৰ অৰ্থই না কি? ব্যক্তিত্বৰ বহুতো সংজ্ঞাই দিব পাৰি। কিন্তু সামাজিক প্ৰগতিৰ বাবে আৱশ্যকীয় একোজন ব্যক্তিত্বৰ সম্পৰ্কত ক'বলৈ গলে সংক্ষেপতে ইয়াকেই ক'ব লাগিব যে, শিক্ষাই একোজন ব্যক্তিৰ গঢ় দিবলৈ হলে শিক্ষাৰ্থীক শিকাব লাগিব— সৎ আচৰণবোধ, গভীৰ দৃষ্টিভঙ্গী, মানসিক শক্তি আৰু গঠনমূলক কামৰ বাবে যোগ্যহৈ উঠাৰ জ্ঞান বা বুদ্ধি। ব্যক্তিত্বনো কি? এই বিষয়ত "Psychology" নামৰ গ্ৰন্থত N. L. Munnএ কৈছে— Personality may be defined as the most characteristic integration of an individual's structure, moodes of behaviour, interests and attitudes, capacities, abilities and aptitudes." ব্যক্তিৰ ব্যক্তিত্ব গঢ় দিয়াৰ ওপৰত গুৰুত্বইবা কিয় দিয়া হয়? তাৰো এটা সামাজিক প্ৰয়োজন আছে।

ব্যক্তিত্বশালী ব্যক্তিৰ বাবে প্ৰয়োজনীয় ওপৰোক্ত গুণসমূহ আয়ত্ব কৰিব নোৱাৰিলেই শিক্ষাৰ প্ৰকৃত মূল্যবোধো আহৰণ কৰিব পৰা নাযায়। কাৰণ শিক্ষাৰ উদ্দেশ্যই হৈছে আদৰ্শ জীৱন গঢ়া। "Education, A study of its Principles and Psychology নামৰ গ্ৰন্থখনত Prof. B C. Kar ৰ মতেও '......... aims of Education are corelated to ideals of life." এই আদৰ্শ জীৱন সামগ্ৰিকভাৱে মানৱ সমাজৰ প্ৰগতিৰ বাবে অতি ফলপ্ৰসু জীৱন। সামাজিক প্ৰগতিৰ বাবে ফলপ্ৰসু আদৰ্শ জীৱন গঢ়াই শিক্ষাৰ উদ্দেশ্য। শিক্ষাই ব্যক্তিক ব্যক্তিৰ সৈতে আৰু সামাজিক পৰিবেশৰ লগত খাপ খুৱাই সামাজিক উন্নতি সাধনৰ শিক্ষা দিব লাগিব। "In fact, education is a process of adjustment to persons to persons — to environment. এইবোৰ কথা আজি আমাৰ শিক্ষা আৰু শিক্ষাৰ্থীৰ ক্ষেত্ৰত কিমানখিনি প্ৰযোজ্য? কিন্তু ক'বই লাগিব যে, প্ৰকৃততে যদি নিজকে শিক্ষিত কৰি তোলাৰ উদ্দেশ্যেৰে শিক্ষা লোৱা হৈছে তেন্তে শিক্ষাৰ্থীয়ে ব্যক্তিকেন্দ্ৰিক মনোভাৱ পৰিহাৰ কৰি নিজকে সামাজিক দায়বদ্ধ বুলি ভাবিব লাগিব। প্ৰকৃত জীৱন নিৰ্বাহ কি? সামাজিক শান্তি-শৃঙ্খলা আৰু সামাজিক প্ৰগতিৰ প্ৰতি উদাৰনৈতিক মনোভাৱ পোষণ কৰি ব্যক্তিগত আৰ্থিক আৰু পাৰিবাৰিক উন্নতিয়েই আদৰ্শ জীৱনৰ মানদণ্ড হব পাৰেনে? প্ৰকৃত আদৰ্শ জীৱন যাপনৰ বাবে শিক্ষাৰ্থীয়ে শিক্ষাৰ যোগেদি দেশ আৰু বিশ্বমানৱৰ মাজত হৃদয় সম্পৰ্ক স্থাপন কৰিব লাগিব। তেঁৱেই প্ৰকৃত শিক্ষাৰ্থী — যিজনে শিক্ষাক সমাজ সংস্কাৰ আৰু সামাজিক প্ৰগতিৰ মৌলিক আহিলা হিচাপে গ্ৰহণ কৰিব পাৰে। এই সম্পৰ্কত Prof. B. C. Kar ৰ এষাৰ কথা উল্লেখযোগ্য। Prof Karৰ মতেও— "The Key note of teaching is to enable the pupils to learn through actual living and through personal experience and discovery ...... Our aim in education is to establish a close relationship between the School and the world outside. ...... education is fundamental method of Social progress and reform."



শিক্ষানুষ্ঠানবোৰ সুস্থ সমাজ গঢ়াৰ বাবে সমাজ সংগঠন প্ৰস্তুতি কেন্দ্ৰ। কাৰণ সমাজৰ প্ৰগতি সাধনৰ বাবে প্ৰতিজন ব্যক্তিৰেই সামাজিক চেতনাৰ প্ৰয়োজন আৰু শিক্ষানুষ্ঠানতে এই চেতনা জগাই তুলিব লাগিব শিক্ষাৰ্থীৰ মনত। সেয়ে শিক্ষা কেৱল বৰ্ণ পৰিচয় আৰু শব্দ আধাৰিত তত্ব কথাৰ ভাৱৰাজ্যতে সীমাবদ্ধ নাথাকি ব্যৱহাৰিক দিশৰ লগত জড়িত হোৱা উচিত। গতিকে শিক্ষাৰ্থীৰ শিক্ষা লাভৰ উদ্দেশ্য এনে হোৱা উচিত যাতে শিক্ষাৰ্থীৰ সকলো কৰ্মই জনসাধাৰণৰ সমাজ চেতনা জগাই তুলিব পাৰে। কাৰণ জনসাধাৰণৰ সামাজিক চেতনা জাগ্ৰত হৈ নুঠিলে সুস্থ সমাজ এখন গঠন কৰা সম্ভৱ নহয়। এনে সামাজিক চেতনাযুক্ত শিক্ষাইহে প্ৰগতিশীল সুস্থ সমাজ গঢ় দিব পাৰে। গতিকে শিক্ষানুষ্ঠান মাত্ৰেই সমাজৰ প্ৰগতিৰ ক্ষেত্ৰত প্ৰধান আৰু একমাত্ৰ আহিলা। সেয়ে শিক্ষানুষ্ঠান, শিক্ষাথ আৰু শিক্ষক এই তিনিও সমাজ গঠনত

দায়বদ্ধ। এইখিনি কথা অধিক স্পষ্ট কৰি তুলিবৰ বাবে Prof. B. C. Kar ৰ Education, A study of its Principles and Psychology" গ্ৰন্থৰ কথাখিনি প্ৰনিধানযোগ্য। Prof Kar ৰ মতে — "Education is the regulation of the process of coming to share in the social consciousness ...... the adjustment of individual activity on the basis of social consciousness is the only sure method of social reconstruction. Through education it is argued, society can formulate its own progress, can organize its means and causes and thus shapes itself in the direction in which it wishes to move. It is in this light school is regarded as the Primary and most effective instrument of social progress and the techer is regarded as engaged not only in training of individual but in the function of proper social life.

শিক্ষানুষ্ঠান অসামাজিক ব্যক্তি-কেন্দ্ৰিক মনোভাৱ পুষ্ট ব্যক্তি গঢ়াৰ অনুষ্ঠান হ'ব নোৱাৰে। যদি শিক্ষানুষ্ঠানে তেনেৰূপ লয় তেন্তে শিক্ষানুষ্ঠানবোৰ অচিৰে সংস্কাৰ কৰা প্ৰয়োজন। শিক্ষানুষ্ঠান গঢ়লৈ উঠে জনসাধাৰণৰ ধনেৰে আৰু সেয়ে ই জনসাধাৰণৰ হিতৰ বাবেই হব লাগিব। "Democracy and education" নামৰ গ্ৰন্থত John Dewey এ কৈছে — The School is a social institution. It must represent life — life as real and vital — life which a person carries on in the home and in the playground."

